1 বিকশিত মনোবিজ্ঞান
Developmental Psychology

- বিকশাত্মক মনোবিজ্ঞান—ধাৰণা, অৰ্থ আৰু পৰিসৰ (Developmental psychology–Concept, meaning scope)
- বিকাশ অধ্যয়ন কৰা পদ্ধতিসমূহ (Method of studying development)
- বংশগতিৰ উপাদানসমূহ—জন্মপূৰ্ব বিকাশ আৰু ইয়াৰ গুৰুত্ব (Hereditary factors–pre-natal development, importance)
- জন্মপূৰ্ব বা গৰ্ভকালীন অৱস্থাত প্ৰভাৱিত কৰা চৰ্তসমূহ (Conditions affecting pre-natal development)
- পৰিবেশীয় উপাদানসমূহ আৰু বিকাশ (Environmental factors and development.)

বিকশিত মনোবিজ্ঞানৰ ধাৰণা (Concept of developmental Psychology) ঃ

বিকশিত মনোবিজ্ঞান হ'ল মনোবিজ্ঞানৰ এটা শাখা। এই মনোবিজ্ঞানে শিশুৰ জন্ম প্ৰক্ৰিয়াৰ পৰা আৰম্ভ কৰি বিকাশৰ প্ৰতিটো স্তৰ আৰু দিশকে সামৰি লৈছে। এই মনোবিজ্ঞানে ব্যক্তিৰ বৃদ্ধি আৰু বিকাশৰ সামগ্ৰিক ধাৰণাটোকে সামৰি লৈছে। বিকশিত মনোবিজ্ঞানে ব্যক্তিৰ দৈহিক, মানসিক, আৱেগিক, সামাজিক, নৈতিক আদি বিকাশৰ প্ৰতিটো দিশকে অধ্যয়ন কৰে। বিকাশশীল মনোবিজ্ঞানে ব্যক্তিৰ জীৱনৰ আৰম্ভণিৰ পৰা হোৱা পৰিবৰ্তন আৰু বিকাশক এক নিৰবচ্ছিন্ন প্ৰক্ৰিয়া হিচাপে অধ্যয়নকৰি আহিছে। সেয়েহে বিকশিত মনোবিজ্ঞানৰ পৰিসৰ যথেষ্ট বহল। এই মনোবিজ্ঞানৰ জৰিয়তে

ব্যক্তিয়ে জন্মসূত্ৰে লাভ কৰা গুণসমূহৰ লগতে, গুণসমূহৰ পৰিপূৰ্ণতা লাভত সহায় কৰা পৰিবেশৰ বিভিন্ন উপাদানসমূহৰ কাৰ্যকলাপো অধ্যয়নৰ বিষয় হিচাপে সামৰি লৈছে যাৰ অবিহনে বিকাশ প্ৰক্ৰিয়া বাধাগ্ৰস্ত হৈ উঠে। এই মনোবিজ্ঞানে বিকাশৰ পৰিবৰ্তনৰ ধাৰাই কিদৰে ব্যক্তিৰ আচৰণত প্ৰভাৱ বিস্তাৰ কৰে সেই সম্বন্ধেও অধ্যয়ন কৰে। এই মনোবিজ্ঞানে জন্মপূৰ্ব অৱস্থাৰ পৰা আৰম্ভ কৰি শৈশৱ কাল, বাল্যকাল, কৈশোৰ কাল, প্ৰাপ্ত-বয়স্ক কালৰ প্ৰতিটো বিকাশৰ স্তৰকে সামৰি লৈছে। প্ৰতিটো স্তৰতে বিকাশৰ গতি আৰু প্ৰকৃতি সম্বন্ধে মনোবিজ্ঞানৰ এই শাখাই বিজ্ঞানসন্মত অধ্যয়ন কৰে। অৱশ্যে প্ৰাৰম্ভিক পৰ্য্যায়ত বিকশিত মনোবিজ্ঞানে শিশু মনোবিজ্ঞানৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছিল যদিও পৰৱৰ্তী পৰ্য্যায়ত বিকাশৰ আন আন স্তৰ সমূহো সামৰি অধ্যয়নৰ এক বহল ক্ষেত্ৰ সামৰি লয়। জৰ্জ বাটাৰৱৰ্থ আৰু মাৰগাৰেট হেৰিচ্‌ৰ (George Butterworth and Margaret Harris) মতে, বিকশিত মনোবিজ্ঞান হ'ল বয়সভিত্তিক পৰিবৰ্তনমূলক অভিজ্ঞতা আৰু আচৰণ সম্বন্ধে কৰা বিজ্ঞানসন্মতবোধ। (Developmental Psychology is concerned with the scientific understanding of age-related changes in experience and behaviour) তেওঁলোকৰ মতে বেছিভাগ বিকশাত্মাক তত্ত্বই শিশুৰ লগত জড়িত, যদিও এজন ব্যক্তিৰ জীৱন যোৰা বিকাশৰ প্ৰক্ৰিয়া অন্তৰ্ভুক্তিৰে লোৱাই ইয়াৰ প্ৰধান উদ্দেশ্য। এই মনোবিজ্ঞানৰ প্ৰধান কাম হ'ল জন্মপূৰ্ণ অৱস্থাৰ পৰা বয়স্ক কাললৈ হোৱা বিকাশৰ প্ৰতিটো ধাৰা আৱিষ্কাৰ কৰি তাৰ প্ৰকৃতি অধ্যয়ন কৰা। জি. ষ্টেনলি হলে (G. Stanley Hall) শিশুৰ আচৰণ অধ্যয়নৰ ক্ষেত্ৰত যথেষ্ট আগভাগ লৈছিল আৰু তেওঁকেই বিকশিত মনোবিজ্ঞানৰ পিতৃ হিচাপেও অভিহিত কৰা হৈছে। ঠিক তেনেদৰে প্ৰেয়াৰ (Prayer), আলফ্ৰেড বিনে (Alfred Binet), এল. এম. টাৰমেন (L.M. Terman), ৱাটচন (Walson) আদি ব্যক্তিসকলেও নিজ নিজ প্ৰচেষ্টাৰে বিভিন্ন শিতানত ব্যক্তিৰ বিকাশ প্ৰক্ৰিয়া অধ্যয়ন কৰি বিকশিত মনোবিজ্ঞানৰ অগ্ৰগতিত অৰিহনা যোগাইছে।

বিকশিত মনোবিজ্ঞানৰ অৰ্থ (Meaning of Developmental Psychology) ঃ

বিকশিত মনোবিজ্ঞান হ'ল মনোবিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ শাখা। এই মনোবিজ্ঞানত শিশুৰ জন্মপূৰ্ব অৱস্থাৰ পৰা আৰম্ভ কৰি শৈশৱ, বাল্যকাল, কৈশোৰ কাল আৰু প্ৰাপ্তবয়স্ক স্তৰলৈকে বিকাশৰ সামগ্ৰিক ধাৰাটো সামৰি লোৱা হৈছে। এলিজাবেথে বি. হাৰলকৰ (Elizabeth B. Hurlock) ভাষাত ক'বলৈ হ'লে, বিকাশে গুণগত আৰু বস্তুগত দুয়োবিধ পৰিবৰ্তনকে সূচায়। এই পৰিবৰ্তন শৃংখলাবদ্ধ আৰু সংলগ্ন বিধৰ হৈ এক প্ৰগতিশীল লেঠাৰি নিচিঙা শাৰীলৈ ৰূপান্তৰিত হয়। (Development refers to qualitative and quantitaive changes. It may be defined as a progressive series of orderly, coherent changes.) বিকশিত মনোবিজ্ঞানে মানৱ জীৱনৰ 'বৃদ্ধি' আৰু 'বিকাশ' দুয়োটা

প্ৰক্ৰিয়া সম্বন্ধে বিশদ আলোচনা কৰে। জন্মপূৰ্ব অৱস্থাত মাতৃগৰ্ভত ভ্ৰূণৰ বৃদ্ধি আৰু বিকাশ প্ৰক্ৰিয়াৰ পৰা আৰম্ভ কৰি জন্মোত্তৰ অৱস্থাত বিকাশৰ প্ৰতিটো স্তৰকে সামৰি এক বহল পৰিসৰৰ অধ্যয়নৰ বিষয়বস্তু অন্তৰ্ভুক্ত কৰিছে। বিকশিত মনোবিজ্ঞান সম্বন্ধ বিভিন্ন চিন্তাবীদে তেওঁলোকৰ ব্যক্তিগত মতামত এনেদৰে উল্লেখ কৰিছে—মনোবিজ্ঞানী La Bouvie ৰ মতে, "বিকশিত মনোবিজ্ঞান একমাত্ৰ বিৱৰণেই নহয়, বৰঞ্চ পূৰ্বৰ আনুষংগিক সম্বন্ধ আৰু বয়স সম্বন্ধীয় আচৰণৰ পৰিবৰ্তনৰ এক ব্যাখ্যাকৰণ প্ৰক্ৰিয়া" (Developmental Psychology is not only description, but also application of age–related changes in behaviour in terms of antecedent–consequent relationships.)

মনোবিজ্ঞানী Siegel ৰ মতে, বিকশিত মনোবিজ্ঞান হৈছে বয়স আৰু স্তৰসমূহৰ আগতীয়া অৱস্থা। (Developmental psychology was preoccupied with ages and stages.)

গতিকে ওপৰৰ আলোচনাৰ পৰা বিকশিত মনোবিজ্ঞান সম্বন্ধে এই সিদ্ধান্তলৈ আহিব পাৰি যে

(১) বিকশিত মনোবিজ্ঞান হ'ল সাধাৰণ মনোবিজ্ঞানৰ এক বিশেষ শাখা।

(২) বিকশিত মনোবিজ্ঞানে গৰ্ভকালীন অৱস্থাৰ পৰা আৰম্ভ কৰি শৈশৱ কাল, বাল্য কাল, যৌৱন কাল আৰু প্ৰাপ্তবয়স্ক কাললৈকে বিকাশৰ প্ৰতিটো স্তৰকে সামৰি লৈছে।

(৩) বৃদ্ধি আৰু বিকাশৰ এক নিবিড় সম্পৰ্ক আছে। শাৰীৰিক বৃদ্ধিৰ লগে লগে মানসিক, আৱেগিক, সামাজিক, নৈতিক আদি প্ৰতিটো দিশৰে বিকাশ সংঘটিত হয় যিটো বিকশিত মনোবিজ্ঞানৰ অধ্যয়নৰ বিষয়।

(৪) বয়স বৃদ্ধিৰ লগে লগে ক্ৰম আৰু শৃংখলা ৰক্ষা কৰি ব্যক্তিৰ জীৱনলৈ পৰিবৰ্তন আহে আৰু এই পৰিৱৰ্তনৰ ফলত হোৱা বিভিন্ন প্ৰকাৰৰ বিকাশ ইটো আনটোৰ ওপৰত নিৰ্ভৰশীল হয়। বিকশিত মনোবিজ্ঞানে বিকাশৰ এই প্ৰতিটো দিশৰে অধ্যয়ন কৰে।

(৫) বিকশিত মনোবিজ্ঞান হ'ল এক প্ৰত্যক্ষ বা বস্তুনিষ্ঠ বিজ্ঞান (is a positive science)। প্ৰত্যক্ষ বিজ্ঞান হিচাপে বিকশিত মনোবিজ্ঞানে বাস্তৱভিত্তিক বিকাশৰ লগত জড়িত আচৰণসমূহ অধ্যয়ন কৰে।

(৬) বিকশিত মনোবিজ্ঞানে মানৱ জীৱনৰ অবিৰত বিকাশ প্ৰক্ৰিয়া সম্বন্ধে অধ্যয়ন কৰে। সেয়েহে ইয়াত বিকাশৰ প্ৰতিটো স্তৰতে হোৱা পৰিৱৰ্তনক সমান গুৰুত্ব প্ৰদান কৰা হয়।

(৭) বিকশিত মনোবিজ্ঞানে বিকাশৰ বহুমুখী দিশ সামৰি লয়। শাৰীৰিক, মানসিক, আৱেগিক, নৈতিক, আধ্যাত্মিক আদি বিকাশৰ বিভিন্ন স্তৰত হোৱা বেলেগ বেলেগ পৰিবৰ্তনৰ লগত এই মনোবিজ্ঞান জড়িত।

(৮) বিকশিত মনোবিজ্ঞান হৈছে এক অবিৰত, বিৰামহীন আৰু এক দীৰ্ঘম্যাদী সামগ্ৰিক প্ৰক্ৰিয়া।

(৯) বিকশিত মনোবিজ্ঞানত ব্যক্তি পাৰ্থক্যৰ ওপৰতো গুৰুত্ব প্ৰদান কৰা হয়। ব্যক্তি পাৰ্থক্যৰ বাবে বিকাশৰ গুণগত আৰু পৰিমাণগত পৰিবৰ্তন ব্যক্তিভেদে বেলেগ বেলেগ হয়।

বিকশিত মনোবিজ্ঞানৰ পৰিসৰ (Scope of Developmental Psychology) ঃ

বিকশিত মনোবিজ্ঞানৰ পৰিসৰ যথেষ্ট বহল। মানৱ শিশু এটিৰ গৰ্ভৱস্থাৰ পৰা আৰম্ভ কৰি জীৱনৰ প্ৰতিটো স্তৰৰে বিকাশৰ দিশ সামৰি বিকশিত মনোবিজ্ঞানে অধ্যয়নৰ এক বহল ক্ষেত্ৰ আৱৰি ৰাখিছে, তলত এই সম্বন্ধে আলোচনা কৰা হ'ল—

(১) বংশগতিৰ প্ৰভাৱ (Influence of heredity) : মনোবিজ্ঞানে মানৱ বিকশাত্মক জীৱনত বংশগতিৰ প্ৰভাৱ স্বীকাৰ কৰিছে। জন্মসূত্ৰে শিশুৱে লাভ কৰা বিকাশৰ মূল শক্তি-ক্ষমতা আৰু সম্ভাৱনীয়তাসমূহৰ দ্বাৰা বিকশিত পৰিবৰ্তন জীৱনৰ বিভিন্ন স্তৰত আৰু বিভিন্ন দিশত সম্ভৱ হৈ উঠে আৰু ইয়াৰ কেনেকৈ কিমান পৰিৱৰ্তন হৈছে, পৰিবৰ্তন স্বাভাৱিক হৈছে নে নাই সেই সকলোবোৰ দিশ সামৰি বিকশিত মনোবিজ্ঞানে অধ্যয়ন কৰে।

(২) পৰিৱেশৰ প্ৰভাৱ (Evnironmental Influence) : মনোবিজ্ঞানৰ বিশেষ শাখা হিচাপে বিকশিত মনোবিজ্ঞানে বংশগতিৰ লগতে মানৱ জীৱনত বিকাশ কাৰ্য্য সম্পূৰ্ণ কৰিবৰ বাবে প্ৰয়োজন হোৱা পৰিবেশীয় প্ৰভাৱৰ কথাও স্বীকাৰ কৰিছে। মাতৃ গৰ্ভৰ পৰিবেশৰ পৰা আৰম্ভ কৰি ঘৰুৱা পৰিৱেশ, স্কুলীয়া পৰিবেশ, কৰ্মক্ষেত্ৰৰ পৰিবেশ, অৰ্থনৈতিক পৰিবেশ, সামাজিক পৰিবেশ, সাংস্কৃতিক পৰিবেশ, ৰাজনৈতিক পৰিবেশ ইত্যাদি বিভিন্ন দিশ সামৰি এক বহল অধ্যয়ন ক্ষেত্ৰ অন্তৰ্ভুক্ত কৰা হৈছে।

(৩) ব্যক্তি পাৰ্থক্যৰ প্ৰভাৱ (Individual differences) : বিকাশ প্ৰক্ৰিয়া অবিৰত আৰু সাৰ্বজনীন হোৱা স্বত্বেও সকলোৰে ক্ষেত্ৰত বিকাশৰ প্ৰভাৱ একে নহয়। ইয়াৰ মূল কাৰণ হ'ল ব্যক্তি পাৰ্থক্যৰ প্ৰভাৱ। ব্যক্তি পাৰ্থক্যৰ বাবে কাৰোবাৰ বৃদ্ধি আৰু বিকাশ প্ৰক্ৰিয়া আগতীয়াকৈ হ'লে কাৰোবাৰ আকৌ কিছু পলমকৈও হ'ব পাৰে।

(৪) বিকাশৰ বিভিন্ন দিশসমূহ (Aspects of Development) : বিকাশাত্মক মনোবিজ্ঞানে বিকাশৰ বিভিন্ন দিশ যেনে শাৰীৰিক, মানসিক, নৈতিক, আৱেগিক, সৌন্দৰ্যবোধক ইত্যাদি প্ৰতিটো দিশৰে বিকাশৰ ধাৰা সম্বন্ধে পৰ্য্যবেক্ষণ আৰু অধ্যয়ন কৰে। বয়স বৃদ্ধিৰ লগে লগে হোৱা পৰিবৰ্তনৰ বিষয়ে এই মনোবিজ্ঞানত অধ্যয়ন কৰা হয়।

(৫) বিকাশৰ স্তৰসমূহ (Stages of Development) : মনোবিজ্ঞানৰ এক প্ৰায়োগিক শাখা হিচাপে বিকশিত মনোবিজ্ঞানে গৰ্ভকালীন আৰু জন্মৰ পৰৱৰ্ত্তীকালচোৱাক সামৰি শৈশৱ কাল, বাল্য কাল, কৈশোৰ কাল আৰু প্ৰাপ্তবয়স্ক কালকে ধৰি বিকাশৰ প্ৰতিটো স্তৰতে হোৱা পৰিবৰ্তন সমূহ অধ্যয়ন কৰে।

(৬) পৰিপক্কতা আৰু শিক্ষণৰ প্ৰভাৱ (Impact of Maturation and learning) : বিকাশ প্ৰক্ৰিয়াত পৰিপক্কতা আৰু শিকণ দুয়োটাই সমানেই প্ৰভাৱ বিস্তাৰ কৰে। পৰিপক্কতাই বিকাশ প্ৰক্ৰিয়াত ইন্ধন যোগাই আৰু শিকনে বিকাশ প্ৰক্ৰিয়া মসৃণ কৰি তুলি মানৱ জীৱনৰ অগ্ৰগতিত সহায় কৰে।

(৭) বিকাশত সহসম্বন্ধৰ নীতি (Principles of Correlation in Development) : মানৱ জীৱনত বিভিন্ন দিশৰ বিকাশৰ ক্ষেত্ৰত সহসম্বন্ধৰ নীতিৰ প্ৰভাৱ আছে। এটা বিকাশৰ লগত আনে এটা বিকাশ জড়িত হৈ থাকে। উদাহৰণ স্বৰূপে দৈহিক বিকাশৰ লগে লগে মানসিক বিকাশো সংঘটিত হয়, মানসিক বিকাশৰ লগে লগে আৱেগিক বিকাশো দ্ৰুততৰ হয়...এনেদৰে এটা বিকাশৰ ওপৰত আন এটা বিকাশ নিৰ্ভৰ হৈ থাকে।

বিকশিত মনোবিজ্ঞান অধ্যয়নৰ পদ্ধতিসমূহ (Methods of Studying Development Psychology) ঃ

বিকশিত মনোবিজ্ঞানৰ পৰিসৰ যথেষ্ট বহল। বিকশিত মনোবিজ্ঞানে এজন ব্যক্তিৰ শাৰীৰিক, মানসিক, আৱেগিক, সামাজিক আদি বিকাশৰ প্ৰতিটো দিশকে সামৰি লয়। এই বহল পৰিসৰৰ বিষয়ে অধ্যয়ন কৰিবলৈ বিভিন্ন পদ্ধতি ব্যৱহাৰ কৰা হয়, এই পদ্ধতিসমূহ হ'ল—

(১) পৰ্য্যবেক্ষণ পদ্ধতি (Observation method)
(২) পৰীক্ষণ পদ্ধতি (Experimental method)
(৩) ঘটনা অধ্যয়ন পদ্ধতি (Case–studying method)
(৪) নৈদানিক পদ্ধতি (Clinical method)
(৫) মনোবিশ্লেষণ পদ্ধতি (Psycho–analytical method)
(৬) প্ৰক্ষিপ্ত পদ্ধতি (Projective method)
(৭) মান নিৰূপক কাঠী (Rating scale)
(৮) পৰিসংখ্যা পদ্ধতি (Statistical method)

১। পৰ্য্যবেক্ষণ বা নিৰীক্ষণ পদ্ধতি (Observation method) ঃ

পৰ্য্যবেক্ষণ পদ্ধতিক বিকশিত মনোবিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ পদ্ধতি হিচাপে গণ্য কৰা হয়। পৰ্য্যবেক্ষণ পদ্ধতিত পৰ্য্যবেক্ষকে ব্যক্তিৰ বিকাশৰ বিভিন্ন দিশ সম্বন্ধে, আচৰণৰ স্বাভাৱিক-অস্বাভাৱিক প্ৰক্ৰিয়া সম্বন্ধে এক পৰিকল্পিত পদ্ধতিৰে নিৰীক্ষণ কৰে। এই আচৰণ অধ্যয়নৰ পৰিবেশ নিয়ন্ত্ৰিত অথবা অনিয়ন্ত্ৰিত দুয়োবিধৰে হ'ব পাৰে। এনে ধৰণে আচৰণ অধ্যয়ন কৰিবৰ বাবে পৰ্য্যবেক্ষকে কেতবোৰ দিশ নিৰীক্ষণৰ (Aspects of Observation) বাবে ধাৰ্য্য কৰি লৈ সেই অনুসৰি প্ৰয়োজনীয় তথ্য আহৰণ কৰে। তথ্য আহৰণৰ ক্ষেত্ৰত পৰ্য্যবেক্ষকে পৰ্য্যবেক্ষণ কৰোতাজনৰ বা কৰোতাসকলৰ লগত মিলিজুলি কাৰ্য্য সম্পাদন কৰিব পাৰে (Participant Observer) অথবা সিহঁতৰ কৰ্মৰ অংশীদাৰ হিচাপে সিহঁতে গম নোপোৱাকৈ সিহঁতৰ আচৰণ পৰ্য্যবেক্ষণ কৰিব পাৰে, ঠিক তেনেদৰে পৰ্য্যবেক্ষকে সিহঁতৰ

মাজত নাথাকি দূৰৰ পৰা সিহঁতৰ আচৰণ সিহঁতে গম নোপোৱাকৈয়ে নিৰীক্ষণ কৰি (Non–Participant Observer) তথ্য সংগ্ৰহ কৰিব পাৰে। মনোবিজ্ঞানীসকলৰ মতে ব্যক্তিৰ আচৰণৰ প্ৰকৃত স্বৰূপ অধ্যয়ন কৰিবলৈ হ'লে নিৰীক্ষণকাৰীয়ে / পৰ্য্যবেক্ষণকাৰীয়ে একো একোটা বিশেষ পৰিস্থিতিৰ বা মূহুৰ্তৰ বাবে অপেক্ষা কৰিবলগীয়া হয়। উদাহৰণস্বৰূপে— ব্যক্তি এজনৰ খঙৰস্বৰূপ আৰু তীব্ৰতা অধ্যয়ন কৰিবলৈ হ'লে নিৰীক্ষণকাৰীয়ে ব্যক্তিজনৰ খং উঠা মুহূৰ্তলৈ অপেক্ষা কৰিব লাগিব। উদাহৰণস্বৰূপে, পিতৃ-মাতৃয়ে তেওঁলোকৰ সন্তানৰ, শিক্ষকে তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীৰ, জেলৰ দাৰোগাই জেলৰ কয়দীসকলৰ আচৰণৰ স্বাভাৱিক-অস্বাভাৱিক প্ৰতিক্ৰিয়াসমূহৰ সুক্ষ্মভাৱে পৰ্য্যবেক্ষণ কৰিব পাৰে, প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰি তেওঁলোকৰ আচৰণ বিশ্লেষণ কৰিব পাৰে। মনোবৈজ্ঞানিক দৃষ্টিকোণৰ পৰা বিচাৰ কৰিলে দেখা যায় যে আচৰণৰ শুদ্ধ বিশ্লেষণৰ নিৰ্ভৰ কৰে স্পষ্ট, উদ্দেশ্যপূৰ্ণ আৰু উপযুক্ত নিৰীক্ষণৰ ওপৰত। নিৰীক্ষণৰ বাবে প্ৰয়োজন হয় নিৰ্দ্ধাৰিত নিৰীক্ষণৰ সময়সীমা, উপযুক্ত পৰিস্থিতি আৰু বিশেষ প্ৰতিক্ৰিয়াসমূহৰ লিপিবদ্ধকৰণ। গতিকে নিৰীক্ষণ পদ্ধতি সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে তলৰ পৰ্য্যায় চাৰিটাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। সেই চাৰিটা পৰ্য্যায় হ'ল—

(১) প্ৰথমতে নিৰীক্ষণ কাৰ্য্য সমাপন কৰিবৰ বাবে উপযুক্ত বাস্তৱমুখী পৰিকল্পনাৰ প্ৰয়োজন হয়।

(২) উপযুক্ত পৰিকল্পনা প্ৰস্তুত কৰাৰ পিছত প্ৰয়োজন হয় সেই পৰিকল্পনা মতে সঠিকভাৱে আৰু অতি নিপুণভাৱে কৰ্ম সম্পাদন কৰা।

(৩) কৰ্ম সম্পাদনৰ সময়ত অৰ্জন কৰা তথ্যসমূহৰ শুদ্ধ আৰু উপযুক্ত লিপিবদ্ধকৰণো অতি আৱশ্যকীয়।

(৪) চতুৰ্থ তথা অতি গুৰুত্বপূৰ্ণ পৰ্য্যায়টো হ'ল সংগৃহীত তথ্যসমূহৰ শুদ্ধ বিশ্লেষণ অথবা মনোবৈজ্ঞানিক ব্যাখ্যা প্ৰদান।

নিৰীক্ষণ পদ্ধতি প্ৰয়োগ কৰি নিৰীক্ষণকাৰীসকলে নিজ চকুৰে চাই আৰু নিজ কাণেৰে শুনি অথবা পঞ্চ ইন্দ্ৰিয় ব্যৱহাৰ কৰি এক বাস্তৱভিত্তিক তথ্য সংগ্ৰহ কৰিবলৈ সক্ষম হয়। এনে নিৰীক্ষণ কাৰ্য্যৰ বাবে নিৰীক্ষণকাৰী অভিজ্ঞ আৰু প্ৰশিক্ষণপ্ৰাপ্ত হোৱাটো আৱশ্যকীয়। মুঠতে, নিৰীক্ষণ বা পৰ্য্যবেক্ষণ পদ্ধতি হ'ল এনে এক পদ্ধতি যাৰ জৰিয়তে কোনো অত্যাধুনিক সা-সঁজুলি বা যন্ত্ৰ-পাতি ব্যৱহাৰ নকৰাকৈ আৰু পৰীক্ষাগাৰৰ সদৃশ কৃত্ৰিম তথা নিয়ন্ত্ৰিত পৰিস্থিতিৰ সৃষ্টি নকৰাকৈ এক বাহ্যিক পৰিবেশত ব্যক্তিৰ নিৰীক্ষণীয় আচৰণৰ দিশসমূহ পৰ্য্যবেক্ষণ কৰা হয় বা চোৱা হয়।

ব্যক্তিৰ আচৰণ অধ্যয়ন কৰা এক বিশেষ পদ্ধতি হিচাপে পৰ্য্যবেক্ষণ পদ্ধতিৰ নিজস্ব সবলতা আৰু দুৰ্বলতা দুয়োটাই আছে। তলত এই সম্বন্ধে আলোচনা কৰা হ'ল—

নিৰীক্ষণ পদ্ধতিৰ সবলতা (Strength of Observation method) :

(১) এই পদ্ধতিৰে ব্যক্তিৰ আচৰণ অতি সহজ সৰলভাৱে স্বাভাৱিক পৰিস্থিতিত নিৰীক্ষণ যোগ্য হৈ উঠে।

(২) এই পদ্ধতি কম খৰচী কিয়না এই পদ্ধতিৰ বাবে অত্যাধুনিক অথবা দামী সা-সঁজুলিৰ প্ৰয়োজন নহয়।

(৩) এই পদ্ধতিৰ বাবে পৰীক্ষাগাৰৰ জটিল নিয়ন্ত্ৰিত পৰিস্থিতিৰ প্ৰয়োজন নহয়।

(৪) স্বাভাৱিক বাহ্যিক পৰিবেশত ব্যক্তিৰ আচৰণ অধ্যয়ন কৰা হয় বাবে নিৰীক্ষণ কৰা ব্যক্তিসকলে কৃত্ৰিম আচৰণ কৰিবলৈ সুবিধা নাপায়।

(৫) অৰ্ন্তমুখী ব্যক্তিত্বৰ ব্যক্তিসকলেও এই পদ্ধতিৰে আচৰণ নিৰীক্ষণ কৰা বেলিকা স্বাভাৱিক ৰূপত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে।

(৬) শিশুৰ আচৰণ অধ্যয়নত এই পদ্ধতি বিশেষ সহায়ক হয়।

(৭) এই পদ্ধতিৰ দ্বাৰা প্ৰাপ্ত তথ্য প্ৰত্যক্ষ ইন্দ্ৰিয়গ্ৰাহ্য আৰু বাস্তৱভিত্তিক হোৱা বাবে, ইয়াৰ পৰা পোৱা তথ্যসমূহ অধিক নিৰ্ভৰযোগ্য হোৱাৰ সম্ভাৱনা থাকে।

(৮) শ্ৰেণীকোঠাৰ ভিতৰত আৰু বাহিৰত ছাত্ৰ-ছাত্ৰীৰ আচৰণ অধ্যয়ন কৰিবৰ বাবে শিক্ষকে এই পদ্ধতি ব্যৱহাৰ কৰি সফলতা অৰ্জন কৰিব পাৰে।

নিৰীক্ষণ পদ্ধতিৰ দুৰ্বলতা (Weakness of Observation Method) :

(১) নিৰীক্ষণকাৰীৰ ব্যক্তিগত দৃষ্টিভংগী আৰু মানসিক স্থিতিয়ে নিৰীক্ষণ কৰা আচৰণ সম্বন্ধে তথ্য সংগ্ৰহত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। অৰ্থাৎ এই পদ্ধতি ব্যক্তি নিষ্ঠতাৰ প্ৰভাৱৰ পৰা মুক্ত নহয়।

(২) মানুহৰ আচৰণ পৰিবৰ্তনশীল। পৰিবেশ আৰু পৰিস্থিতি সলনি হোৱাৰ ফলত মানুহৰ আচৰণৰো পৰিবৰ্তন হ'ব পাৰে গতিকে গতিশীল মানৱ আচৰণক স্থিতিশীল হিচাপে প্ৰকাশ কৰাটোত কিছু জটিলতা আহি পৰে।

(৩) নিৰীক্ষণ পদ্ধতিৰ জৰিয়তে অতি কম সংখ্যক ব্যক্তিৰ আচৰণ নিৰীক্ষণভিত্তিক বিশ্লেষণ কৰি তাৰ সাৰ্বজনীন ৰূপ প্ৰদান কৰাটো কিমান যুক্তিসংগত সেয়া বিশ্বাৰ্য্যবিষয়।

(৪) এই পৃথিৱীত বিকাশৰ প্ৰতিটো দিশ বিচাৰ কৰিলে কোনো দুজন মানুহ একে হ'ব নোৱাৰে আনকি যমজ শিশুও, অৱশ্যে একে ধৰণৰ হ'ব পাৰে। গতিকে ব্যক্তি-পাৰ্থক্য প্ৰধান মানৱ আচৰণৰ স্বকীয় বৈশিষ্ট্যক সামূহিক ৰূপ দিয়াটো কঠিন কাম।

(৫) একেজন ব্যক্তিৰে আচৰণ পৰিবেশ আৰু পৰিস্থিতি সলনি হোৱাৰ লগে লগে পৰিবৰ্তন হোৱাও পৰিলক্ষিত হয়। গতিকে ব্যক্তিৰ আচৰণৰ স্থায়ী স্বৰূপ ব্যাখ্যা কৰাও কঠিন কাম।

(৬) এই পদ্ধতিত নিৰীক্ষণ কাৰ্য্য সংঘটিত হোৱাৰ পৰা তথ্য লিপিবদ্ধকৰণৰ মাজত সময়ৰ ব্যৱধান বেছি হ'লে, কিছুমান গুৰুত্বপূৰ্ণ তথ্য নিৰীক্ষকৰ পাহৰণিৰ গৰ্ভত সোমোৱাৰ সম্ভাৱনা অধিক থাকে।

(৭) এই পদ্ধতিৰে একে সময়তে ব্যক্তিৰ বিকাশৰ লগত জড়িত কিছুমান বিশেষ দিশহে নিৰীক্ষণ কৰিব পাৰি, বিকাশৰ সামগ্ৰিক ধাৰাটো নিৰীক্ষণ কৰা সম্ভৱ নহয়।

(৮) এই পদ্ধতিৰ জৰিয়তে ব্যক্তিৰ সামগ্ৰিক ব্যক্তিত্বৰ (Total personality) তথ্য আহৰণকাৰী নিৰক্ষণ সম্ভৱ নহয় কাৰণ ইয়াৰ বাবে প্ৰয়োজন হ'ব ব্যক্তিজনৰ বা ব্যক্তিসমষ্টিৰ সমগ্ৰ জীৱনৰ সৰ্বাত্মক বিকাশৰ প্ৰক্ৰিয়াটো (শাৰীৰিক, মানসিক, আৱেগিক, সামাজিক, সৌন্দৰ্যবোধ ইত্যাদি) নিৰীক্ষণ কৰি তাৰ উপযুক্ত বিশ্লেষণ কৰা।

(২) পৰীক্ষণ পদ্ধতি (Experimental method) :

বিকশিত মনোবিজ্ঞানৰ আন এক গুৰুত্বপূৰ্ণ পদ্ধতি হ'ল পৰীক্ষণ পদ্ধতি। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশৰ ফলত সমগ্ৰ বিশ্বই বস্তুবাদী (Objective) আৰু বাস্তৱভিত্তিক মানৱ আচৰণৰ বিশ্লেষণত গুৰুত্ব প্ৰদান কৰিছে যিটো পৰীক্ষণ পদ্ধতিৰ দ্বাৰা আহৰণ কৰিব পাৰি। এই পৰীক্ষণ পদ্ধতিৰ জৰিয়তে এক নিয়ন্ত্ৰিত পৰিবেশত ব্যক্তিৰ আচৰণ নিৰীক্ষণ কৰা হয়। ১৮৭৯ চনত উইলহেম্ য়ুণ্ডটে (Wilhelm Wundt) ১৯ শতিকাৰ শেষৰ ফালে জাৰ্মেনীৰ লিপ্‌জিগ্ (Leipzing) নামৰ চহৰত পোন প্ৰথমবাৰৰ বাবে মনোবিজ্ঞানৰ পৰীক্ষাগাৰ স্থাপন কৰে। ইয়াৰ লগে লগে মানৱ আচৰণৰ বস্তুনিষ্ঠ অধ্যয়নৰ বাবে পৰীক্ষণ পদ্ধতিৰ জনপ্ৰিয়তা মনোবিজ্ঞানৰ ক্ষেত্ৰখনত আহি পৰে। পৰীক্ষণ পদ্ধতিত পৰীক্ষাগাৰৰ এক নিয়ন্ত্ৰিত পৰিবেশত পূৰ্ব পৰিকল্পিত আৰু প্ৰণালীবদ্ধভাৱে মানুহৰ আচৰণক বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। এই ক্ষেত্ৰত পৰীক্ষাগাৰটো পৰীক্ষাৰ প্ৰকৃতি অনুসৰি প্ৰয়োজনীয় সা-সঁজুলিৰে সঁজাই তোলাটো পৰীক্ষা গ্ৰহণকাৰীৰ এক প্ৰধান কাম। অৱশ্যে এই ক্ষেত্ৰত পৰিবেশৰ গতিশীল আৰু পৰিবৰ্তনীয় (Control of Variables) কাৰকসমূহৰ প্ৰভাৱ মুক্ত কৰি পৰীক্ষাগাৰত এক সুন্দৰ নিয়ন্ত্ৰিত পৰীক্ষণীয় পৰিবেশৰ সৃষ্টি কৰিব লাগে। এই পদ্ধতি প্ৰয়োগ কৰি মনোবিজ্ঞানৰ এই পদ্ধতি প্ৰয়োগ কৰি মনোবিজ্ঞানৰ পৰীক্ষাগাৰত মানুহৰ স্মৃতি, মনোযোগ, বুদ্ধি, কল্পনা শক্তি, সমস্যা সমাধান ক্ষমতা আদিৰ বিষয়ে অধ্যয়ন কৰা হয়। ইয়াৰ বাবে প্ৰথমে প্ৰয়োজন হয় কিহৰ ওপৰত পৰীক্ষণ কাৰ্য্য চলোৱা হ'ব অথবা বিজ্ঞানৰ ভাষাত হ'ল Problem Selection দ্বিতীয় পৰ্য্যায়ত প্ৰয়োজন হয় পৰীক্ষণটো কি উদ্দেশ্যৰে কৰা হ'ব বা কি কি দিশ অধ্যয়ন কৰা হ'ব (Objectives of the Study)।

ইয়াৰ পিছত পৰীক্ষণ কাৰ্য্যৰ বাবে প্ৰয়োজন হয় কেনেদৰে আৰু কি কৌশল বা সঁজুলি ব্যৱহাৰ কৰি পৰীক্ষণৰ মূল উদ্দেশ্যত (Objectives) উপনীত হ'ব। (Method and techniques) পৰৱৰ্তী পৰ্য্যায়টো পৰীক্ষণ কাৰ্য্যৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ। এই পৰ্য্যায়টোত পৰীক্ষাগ্ৰহণকাৰীয়ে নিজস্ব তাত্বিক জ্ঞান অভিজ্ঞতাৰে এক পৰীক্ষণীয় পৰিবেশ সৃষ্টি কৰি প্ৰয়োজনীয় আচৰণৰ দিশসমূহ সুক্ষ্মভাৱে অধ্যয়ন কৰিব লাগিব আৰু সেই সম্বন্ধে তথ্য সংগ্ৰহ কৰিব লাগিব (Collection of data)। ইয়াৰ পিচৰ পৰ্য্যায়ত সংগৃহীত তথ্যসমূহ পৰিসাংখ্যিক বা গাণিতিক সূত্ৰ প্ৰয়োগ কৰি বিশ্লেষণ কৰিব লাগিব (Analysis of the data) ইয়াৰ পৰৱৰ্তী পৰ্য্যায়ত, তথ্য বিশ্লেষণৰ ভিত্তিত ফলাফলৰ পূৰ্ব অনুমান (Hypothesis) গ্ৰহণযোগ্য হ'ল নে নহ'ল সেই সম্বন্ধে এক শেষ সিদ্ধান্তত উপনীত হ'ব লাগিব (Conclusion of the study)।

এনেদৰে পৰীক্ষণ পদ্ধতিত মানৱ আচৰণ সম্বন্ধে এক নিৰ্ভৰযোগ্য আৰু বাস্তৱভিত্তিক তথ্য সংগ্ৰহ কৰা হয় আৰু তথ্যসমূহৰ বিজ্ঞানসন্মত বিশ্লেষণ দাঙি ধৰা হয়। ওপৰৰ আলোচনাৰ পৰা পৰীক্ষণ পদ্ধতিৰ বৈশিষ্ট্য এনেধৰণে উল্লেখ কৰিব পাৰি—

(১) পৰীক্ষণ পদ্ধতিৰ বাবে এক নিয়ন্ত্ৰিত পৰিবেশ তথা প্ৰয়োজনীয় সা-সঁজুলিৰে সু-সজ্জিত পৰীক্ষাগাৰৰ প্ৰয়োজনীয়।

(২) পৰীক্ষণ কাৰ্য্য সম্পাদন কৰিবৰ বাবে পৰীক্ষণীয় ব্যক্তি আৰু পৰীক্ষা গ্ৰহণকাৰী দুজন ব্যক্তিহে থাকে।

(৩) পৰীক্ষণ কাৰ্য্য এক সু পৰিকল্পিত পৰ্য্যায় ভিত্তিক কাৰ্য্য।

(৪) পৰীক্ষা কাৰ্য্য সমাপন কৰিবৰ বাবে পৰীক্ষা গ্ৰহণকাৰীৰ পৰীক্ষণীয় বিষয় সম্বন্ধে তাত্বিক জ্ঞান থকাৰ উপৰিও কাৰ্য্য সম্পাদনৰ কৌশলগত দক্ষতাও থকা বান্ধনীয়।

(৫) পৰীক্ষাগাৰত নিয়ন্ত্ৰিণ পৰিবেশ সৃষ্টি কৰিবৰ বাবে ব্যক্তিৰ আচৰণক প্ৰভাৱান্বিত কৰিব পৰা পৰিবেশৰ গতিশীল আৰু পৰিবৰ্তনীয় কাৰকসমূহৰ প্ৰভাৱ নিষ্ক্ৰীয় কৰি তোলা দৰকাৰ।

(৬) এই পদ্ধতিৰে অৰ্জন কৰা তথ্য অধিক বাস্তৱভিত্তিক, বিজ্ঞানসন্মত আৰু নিৰ্ভৰযোগ্য হয়।

পৰীক্ষণ পদ্ধতিৰ সবলতা (Strength of Experimental method) ঃ

(১) পৰীক্ষণ পদ্ধতিৰ দ্বাৰা সংগৃহীত তথ্য অধিক নিৰ্ভৰযোগ্য আৰু বাস্তৱভিত্তিক হোৱা পৰিলক্ষিত হয়।

(২) ভৌতিক বিজ্ঞানৰ পৰীক্ষাগাৰৰ দৰে অত্যাধুনিক, জটিল তথা ব্যয়বহুল যন্ত্ৰপাতিৰ প্ৰয়োজন এই পদ্ধতিত নহয়।

(৩) এই পদ্ধতিত ব্যক্তিৰ আচৰণত প্ৰভাৱিত কৰিব পৰা পৰিবেশৰ গতিশীল আৰু পৰিবৰ্তনশীল কাৰকসমূহৰ নিয়ন্ত্ৰণ (Control of Variables) কৰি এক বিজ্ঞানভিত্তিক নিৰীক্ষণ কাৰ্য্য সম্পাদন কৰিবলৈ সক্ষম হয়।

(৪) এই পদ্ধতিত পৰীক্ষাকাৰ্য্য পূৰ্ব-পৰিকল্পিত হোৱা বাবে পৰীক্ষণীয় ব্যক্তিৰ আচৰণ অধ্যয়নত খেলিমেলি হোৱাৰ সম্ভাৱনা নিচেই তাকৰ।

(৫) এই পদ্ধতিত পৰীক্ষা কাৰ্য সম্পাদনৰ বেলিকা বিভিন্ন পৰ্য্যায় একাদিক্ৰমে চলি আহে বাবে তথ্য সংগ্ৰহৰ বেলিকা ভুল হোৱাৰ সম্ভাৱনা নিচেই কম।

(৬) পৰীক্ষাগাৰত প্ৰয়োজনীয় যন্ত্ৰ-পাতিৰ প্ৰয়োগ আৰু তথ্য সংগ্ৰহৰ তালিকা আদিৰ ব্যৱহাৰে পৰীক্ষা গ্ৰহণকাৰীৰ ব্যক্তিনিষ্ঠ প্ৰভাৱৰ পৰা সংগৃহীত তথ্যসমূহ মুক্ত হোৱাৰ অধিক সম্ভাৱনা থাকে।

(৭) এই পদ্ধতিৰদ্বাৰা সংগৃহীত তথ্যসমূহৰ বিশ্লেষণে ব্যক্তিৰ আচৰণৰ প্ৰকৃতি, স্বাভাৱিকতা অস্বাভাৱিকতা আদিৰ বিষয়ে জ্ঞান প্ৰদান কৰে।

পৰীক্ষণ পদ্ধতিৰ দুৰ্বলতা (Weakness of Experimental method) ঃ

(১) মানৱ আচৰণ সময় আৰু পৰিস্থিতি সাপেক্ষে পৰিবৰ্তনশীল হোৱা বাবে এক অপৰিবৰ্তনীয় স্থায়ী আচৰণ আশা কৰিব নোৱাৰি।

(২) এই পদ্ধতিৰে একে সময়তে এজন ব্যক্তিৰহে আচৰণৰ নিখুঁত অধ্যয়ন বা নিৰীক্ষণ সম্ভৱ, একাধিক ব্যক্তিৰ আচৰণ নিৰীক্ষণৰ ক্ষেত্ৰত জটিলতা আছে।

(৩) পৰীক্ষাগাৰত পৰীক্ষা গ্ৰহণ কৰোতাজনৰ মানসিক আৰু আৱেগিক স্থিতিৰ সাম্ভাব্য জটিলতাই তথ্য সংগ্ৰহত প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

(৪) পৰীক্ষাগাৰৰ নিয়ন্ত্ৰিত পৰিবেশে পৰীক্ষণীয় ব্যক্তিজনৰ সমাযোজনত অসুবিধাৰ সৃষ্টি কৰিব পাৰে, বিশেষকৈ অৰ্ন্তমুখী ব্যক্তিত্বৰ ব্যক্তিসকলক ক্ষেত্ৰত।

(৫) শিশুসকলৰ ক্ষেত্ৰত এই পদ্ধতি প্ৰয়োগ কৰি অধিক সুফল পোৱা নাযায়।

(৬) এই পদ্ধতিৰ প্ৰয়োগৰ পৰা সুফল পাবৰ বাবে প্ৰতিজন পৰীক্ষা গ্ৰহণ কৰোতাৰ বিকশিত মনোবিজ্ঞানৰ সম্বন্ধে তাত্ত্বিক জ্ঞান থকাৰ প্ৰয়োজন, বিষয়বস্তুৰ উপস্থাপন আৰু তথ্য সংগ্ৰহৰ কাৰিকাৰী আৰু কৌশলগত দক্ষতা থকাৰো প্ৰয়োজন। গতিকে এই পদ্ধতিৰ সফলতাৰ বাবে বিশেষজ্ঞ লোকৰ প্ৰয়োজন।

(৩) ঘটনা-অধ্যয়ন পদ্ধতি (Case-study method) ঃ

বিকশিত মনোবিজ্ঞানৰ আন এক উল্লেখযোগ্য পদ্ধতি হ'ল ঘটনা-অধ্যয়ন পদ্ধতি। ঘটনা-অধ্যয়ন পদ্ধতি হ'ল এক ব্যক্তিনিষ্ঠ পদ্ধতি। এই পদ্ধতিত ব্যক্তিৰ বৰ্তমানৰ সমস্যাজড়িত অথবা অস্বাভাৱিক আচৰণৰ মূল উৎস উদঘাটনৰ বাবে তেওঁৰ জীৱনৰ অতীত ঘটনা প্ৰবাহৰ বিষয়ে তথ্য সংগ্ৰহ কৰা হয়। সংগৃহিত তথ্যৰ বিশ্লেষণৰ ভিত্তিত বৰ্তমানৰ আচৰণৰ অস্বাভাৱিকতা ব্যাখ্যা কৰিবলৈ চেষ্টা কৰা হয়। মনোবিজ্ঞানীসকলে ব্যক্তিৰ জীৱনত ঘটা বিভিন্ন অতীত ঘটনা, তেওঁৰ সমাযোজন ক্ষমতা, মানসিক আৰু আবেগিক স্থিতি সম্বন্ধে অধ্যয়ন কৰে। ব্যক্তিৰ মনোভাৱ, মূল্যবোধৰ লগতে ব্যক্তিত্বৰ সুস্থ-অসুস্থ সংলক্ষণ আদি সম্বন্ধেও অধ্যয়ন কৰে। এই ঘটনা অধ্যয়ন পদ্ধতি মতে এজন লোকৰ বৰ্তমানৰ আচৰণৰ অন্তৰালত নিহিত হৈ থাকে। তেওঁৰ বংশগতি আৰু পৰিবেশৰ যুটীয়া প্ৰভাৱ। বংশগতিৰ জ্ঞান অৰ্জন কৰিবৰ বাবে এই পদ্ধতিৰ দ্বাৰা ব্যক্তিৰ বংশ-পৰিয়ালৰ পৰিচয় জন্মৰ যাবতীয় তথ্য, ব্যক্তিজনে জৈৱিক বংশগতি হিচাপে অৰ্জন কৰা দেহ-মানসিক বৈশিষ্ট্যসমূহৰ লগতে আবেগিক-সামাজিক-নৈতিক দিশ সমূহৰ বিকাশ সম্বন্ধেও তথ্য সংগ্ৰহ কৰে। পৰিবেশৰ প্ৰভাৱ সম্বন্ধে জ্ঞান অৰ্জন কৰিবৰ বাবে এই পদ্ধতিত ব্যক্তিজনৰ ব্যক্তিত্বত আৰু সৰ্বাত্মক বিকাশত প্ৰভাৱ বিস্তাৰ কৰিব পৰা দিশসমূহ সামৰি লয়। ইয়াৰ বাবে ব্যক্তিজনৰ সামাজিক পৰিচয়, সম্প্ৰদায়, ধৰ্মীয় পৰম্পৰা আৰু আস্থা, শৈক্ষিক-পৰিবেশ আৰু শিক্ষা আয়ত্বকৰণ, সাংস্কৃতিক মূল্যবোধ, অৰ্থনৈতিক স্থিতি আদি সম্বন্ধেও তথ্য সংগ্ৰহ কৰা হয়। ইয়াৰ উপৰিও পিতৃ-মাতৃৰ লগত সম্বন্ধ, মৰম-চেনেহ আৰু ঘৰুৱা পৰিবেশ, ভাই-ভনীৰ লগত সম্বন্ধ আদি সম্বন্ধেও তথ্য সংগ্ৰহ কৰা হয়। তাৰোপৰি স্বাস্থ্য সংক্ৰান্তীয় বিভিন্ন তথ্যপাতি সংগ্ৰহ কৰা হয়। এনেদৰে এজন ব্যক্তিৰ বৰ্তমানৰ আচৰণৰ অস্বাভাৱিকতাৰ নিৰ্ণয় কৰিবৰ বাবে তেওঁৰ অতীত জীৱনৰ বংশগতি আৰু পৰিবেশীয় বিভিন্ন তথ্য সংগ্ৰহ কৰি তাৰ মনোবৈজ্ঞানিক বিশ্লেষণ শিক্ষকসকলে এই পদ্ধতি প্ৰয়োগ কৰি ছাত্ৰ-ছাত্ৰীৰ বহু সমস্যাৰ সমাধান আনি দিব পাৰে।

এই পদ্ধতিৰ বৈশিষ্ট্যসমূহ হ'ল—

(১) এই পদ্ধতি হ'ল এক ব্যক্তিনিষ্ঠ পদ্ধতি।

(২) এই পদ্ধতিত অতীতৰ পৰ্য্যালোচনাৰ ভিত্তিত বৰ্তমান আচৰণৰ বিশ্লেষণ কৰা হয়।

(৩) এই পদ্ধতিত ব্যক্তিৰ বংশগতি আৰু পৰিবেশ দুয়োটাৰে তথ্য সংগ্ৰহ কৰা হয়।

(৪) এই পদ্ধতিত ব্যক্তিৰ বৰ্তমান বিকাশৰ স্বাভাৱিকতাৰ লগত অতীতৰ যিসমূহ বিষয় জড়িত থাকে সেই সম্বন্ধে তথ্য সংগ্ৰহ কৰা হয়।

(৫) এই পদ্ধতিৰে তথ্য সংগ্ৰহ কৰিবলৈ তথ্য সংগ্ৰহকাৰীজনে পৰিকল্পিতভাৱে আৰু প্ৰয়োজন সাপেক্ষে পৰোক্ষ-প্ৰত্যক্ষ দুয়োবিধ প্ৰশ্নৰ অৱতাৰণা কৰি প্ৰকৃত তথ্য উদঘাটন কৰিব লাগিব।

(৬) এই পদ্ধতিৰে তথ্য সংগ্ৰহ কৰিবলৈ তথ্য সংগ্ৰহকাৰীৰ বিকাশৰ স্তৰ সম্বন্ধে, ব্যক্তি-আচৰণৰ গতিশীলতা সম্বন্ধে আৰু পৰিবেশীয় প্ৰভাৱ সম্বন্ধে জ্ঞান থাকিব লাগিব।

৪। নৈদানিক পদ্ধতি (Clinical method) ঃ

মানসিক ৰোগীৰ চিকিৎসাৰ বাবে ব্যৱহৃত নৈদানিক পদ্ধতি বিকশিত মনোবিজ্ঞানৰ ক্ষেত্ৰতো ব্যৱহৃত কৰা হৈছে। বৰ্তমান সময়ত বিকশিত মনোবিজ্ঞানত এই পদ্ধতিৰ গুৰুত্ব আৰু জনপ্ৰিয়তা বৃদ্ধি পাইছে কিয়নো বৰ্তমান সমাজ ব্যৱস্থাত ব্যক্তিৰ প্ৰয়োজনৰ পৰিমাণ দিনে দিনে বৃদ্ধি পাইছে কিন্তু এই প্ৰয়োজনসমূহ পূৰণৰ পথ তেনেই সীমিত। সেয়েহে হতাশা, নিৰাশা, অভাৱ, দুখ, কষ্ট, ঈৰ্ষা, ক্ষোভ আদিৰ ভাবে ব্যক্তিৰ স্বাভাৱিক সমাযোজনত বহু সময়ত বাধাৰ সৃষ্টি কৰি তোলে। শিশুৰ পৰা বয়সলৈকে বেছিভাগ ব্যক্তিয়ে কম-বেছি পৰিমাণে সমাযোজনত অসুবিধাৰ সন্মুখীন হয় কিন্তু যেতিয়া ইয়াৰ পৰিমাণ বেছি হৈ আচৰণত অস্বাভাৱিকতাৰ প্ৰকাশ কৰে তেতিয়াই প্ৰয়োজন হয় নৈদানিক পদ্ধতিৰ। এই পদ্ধতিৰ জৰিয়তে সমস্যাৰ দ্বাৰা ভাৰাক্ৰান্ত মানুহৰ সকলো ধৰণৰ প্ৰয়োজনীয় তথ্যপাতি সংগ্ৰহ কৰি তাৰ যথোচিত বিশ্লেষণৰ ব্যৱস্থা কৰা হয়। এনে ধৰণৰ বিশ্লেষণে ব্যক্তিৰ সমাযোজনত হোৱা বাধাৰ কাৰণ উদঘাটন কৰাত সহায় কৰে। ইয়াৰ জৰিয়তে ব্যক্তিৰ দীৰ্ঘদিনৰ পৰা মনৰ মাজত সঞ্চিত হৈ থকা বহু ৰহস্যৰ উমান পোৱা যায় যিয়ে টুহ জুইৰ দৰে মনৰ মাজত জ্বলি জ্বলি ব্যক্তিৰ সমাযোজন প্ৰক্ৰিয়া ক্ৰমান্বয়ে বাধাগ্ৰস্ত কৰি তোলে। এই পদ্ধতিৰ জৰিয়তে ব্যক্তিৰ বিভিন্ন সমাস্যাজড়িত আচৰণ সম্বন্ধে অধ্যয়ন কৰি সমাধানৰ সূত্ৰ উদ্ভাৱনত সহায় কৰে, যেনে—অত্যাধিক ভয়, উদ্বিগ্নতা, চোৰ কৰা, পলায়নবাদিতা, যৌন অপৰাধপ্ৰৱণতা, অত্যাধিক খং আৰু আক্ৰমণাত্মক আচৰণ ইত্যাদি। এনে ধৰণৰ সমস্যাবোৰৰ কাৰণ জানিবৰ বাবে ব্যক্তিজনৰ অতীত আৰু বৰ্তমানৰ দেহ-মানসিক অৱস্থা, আৱেগিক স্থিতি, সামাজিক আৰু নৈতিক বিকাশৰ লগতে পাৰিবাৰিক পৰিবেশ, স্কুলীয়া পৰিবেশ, ওচৰ চুবুৰীয়াৰ পৰিৱেশ, অৰ্থনৈতিক অৱস্থা, বৃত্তীয় পৰিৱেশ ইত্যাদি বিভিন্ন দিশৰ ওপৰত সামগ্ৰিক মূল্যাংকণৰ প্ৰয়োজন আহি পৰে। সেয়েহে নৈদানিক পদ্ধতিৰ তথ্য সংগ্ৰহৰ পৰিসৰ যথেষ্ট বহল। তথ্য সংগ্ৰহকাৰীয়ে প্ৰয়োজনীয় শুদ্ধ তথ্য উদ্‌ঘাটনেৰে ব্যক্তিৰ সমস্যাজড়িত আচৰণৰ বিশ্লেষণ দাঙি ধৰি সমস্যা সমাধানৰ পথ এহাতে দাঙি ধৰা আৰু আনহাতে তেওঁক পৰিবেশৰ লগত সুস্থ সমাযোজনত সহায় কৰাই এই পদ্ধতিৰ মূল উদ্দেশ্য।

(৫) মনোবিশ্লেষণ পদ্ধতি (Psycho-analytical method) ঃ

বিকশিত মনোবিজ্ঞানত মনোবিশ্লেষণ পদ্ধতিৰ এক বিশেষ তাৎপৰ্য আছে। এই পদ্ধতিত মানুহৰ অচেতন মনৰ ক্ৰিয়া-কলাপ, আৰু ব্যক্তিৰ আচৰণত ইয়াৰ প্ৰভাৱ সম্বন্ধে অধ্যয়ন কৰা হয়। ব্যক্তিৰ

জীৱনত এনে কিছুমান অবাঞ্চনীয় ঘটনা ঘটে যিবোৰ তেওঁ প্ৰকাশ কৰিব নিবিচাৰে আৰু সেই ঘটনাৰ স্মৃতিবোৰ ক্ৰমে সচেতন মনৰ পৰা অবচেতন, অবচেতন মনৰ পৰা অচেতন মনলৈ গতি কৰে। এনেদৰে ব্যক্তিৰ মনৰ অৱচেতন অংশত অৱদমিত হৈ থকা আশা-আকাংশা, দুখ-হতাশা, কামনা-বাসনা, ব্যৰ্থতা, ঘৃণা, ইৰ্ষা আদিয়ে অচেতন মনত বোজাসদৃশ হৈ পৰে আৰু ইয়াৰ প্ৰভাৱ ব্যক্তিৰ আচৰণত প্ৰকাশ পায়। এই পদ্ধতিৰ লগত চিগ্‌মাঙ ফ্ৰয়েড, এডলাৰ, কাৰ্লয়ুঙ আদি মনো বিশ্লেষণকাৰীসকল বিশেষভাৱে জড়িত আছিল যদিও ফ্ৰয়েদকে এই পদ্ধতিৰ পিতৃ হিচাপে জনা যায়। এই পদ্ধতিৰ জৰিয়তে ব্যক্তিৰ অচেতন মনত অবদমিত হৈ থকা দুখদায়ক বা লজ্জাজনিত উপাদানবোৰ বিশেষকৈ আঘাট, সংঘাট, মনোভাৱ,আগ্ৰহ অতৃপ্ত ইচ্ছা ইত্যাদি সম্বন্ধে অৱগত হ'ব পাৰি। ফ্ৰয়েদে মনৰ অচেতন অংশৰ গুৰুত্ব বুজাবলৈ ইয়াক iceberg বা হিমশিলাৰ লগত তুলনা কৰিছে। যিদৰে মহাসাগৰত হিমশিলাৰ অতি কম অংশহে দৃষ্টিগোচৰ হৈ থাকে আৰু অধিকাংশই পানীৰ তলত লুকাই থাকে ঠিক তেনেদৰে মানুহৰ ব্যক্তিত্বও সচেতন মনৰদ্বাৰা কম পৰিমাণে প্ৰভাৱিত হয় আৰু অধিকাংশই নিয়ন্ত্ৰিত হয় অচেতন মনৰ প্ৰভাৱৰ দ্বাৰা। ফ্ৰয়েদে অচেতন মনৰ অস্তিত্ব বুজাবলৈ কেইটামান দৈনন্দিন ব্যৱহৃত আচৰণৰ কথা প্ৰকাশ কৰিছিল, সেইবোৰ হ'ল—স্বপ্ন, নকবলগীয়া কথা কোৱা (slip of tonque), নিলিখিবলগীয়া শব্দ লিখা (slip of pen), বিস্মৃতি, নিদ্ৰাৱস্থাত সমস্যা সমাধান কৰা ইত্যাদি। এই পদ্ধতি মতে এজন ব্যক্তিৰ ব্যক্তিত্বৰ সম্পূৰ্ণ ছবিখন আঁকিবলৈ সচেতন মনৰ লগতে অচেতন মনৰ স্থিতিও অধ্যয়ন কৰা সমানে গুৰুত্বপূৰ্ণ কিয়নো বহু ধৰণৰ অপ্ৰাসংগিক কথা-বতৰা বা অসমাযোজিত কাৰ্য্য-কলাপৰ মূলতে হ'ল ব্যক্তিৰ অচেতন মনৰ প্ৰভাৱ। এই পদ্ধতিত স্বপ্ন অধ্যয়ন (study of dream) আৰু নিদ্ৰাৱান সন্মোহনবিদ্যাৰ (Hypnosis) জৰিয়তে তথ্য সংগ্ৰহ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। এই পদ্ধতিৰে তথ্য সংগ্ৰহ কৰাত ব্যক্তিজনে ক'ব নোৱাৰাকৈয়ে বহু গোপনীয় কথাৰ সম্ভেদ দিয়ে। সংগৃহীত তথ্যৰ বিশ্লেষণৰ জৰিয়তে ব্যক্তিৰ সমস্যাৰ সমাধানৰ চেষ্টা কৰা হয় আৰু পৰিবেশৰ লগত সমাযোজন কৰাত সহায় কৰা হয়।

(৬) প্ৰক্ষিপ্ত পদ্ধতি (Projective method) ঃ

প্ৰক্ষিপ্ত পদ্ধতি হ'ল বিকশিত মনোবিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ পদ্ধতি। এই পদ্ধতি জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত মনোবিশ্লেষণকাৰী চিগমাণ্ড ফ্ৰয়েদৰ এক বিশেষ ভূমিকা আছে। ফ্ৰয়েডৰ মতে, "প্ৰক্ষেপণ হৈছে ব্যক্তিৰ মনত দুখ আৰু উদ্বিগ্নতা প্ৰদান কৰা সংঘাতপূৰ্ণ পৰিস্থিতিৰ বহিঃপ্ৰকাশ কৰা কাৰ্য্য" (Projection is an act of externalising the conflict that gives rise to pain and anxiety in a person) এই প্ৰক্ষিপ্ত পদ্ধতিৰ জৰিয়তে ব্যক্তিৰ অচেতন মনৰ অপূৰ্ণ আশা-আকাংশা, দুখ-বেদনা, হতাশা, ইৰ্ষা আদিৰ প্ৰকাশ হয়। এই পদ্ধতিৰ জৰিয়তে ব্যক্তিৰ অচেতন মনৰ তথ্য সংগ্ৰহ কৰিবৰ বাবে একো

একোটা বিশেষ পৰিস্থিতিৰ সৃষ্টি কৰা হয় অথবা একো একোটা তাৎপৰ্যপূৰ্ণ অভীক্ষাৰ সৃষ্টি কৰা হয়। সেইবোৰ হৈছে চিত্ৰ চাই গল্প লিখা অভীক্ষা (Thematic Apperception Test), চিয়াঁহীৰ দাগ চাই মৌখিকভাৱে প্ৰতিক্ৰিয়া শব্দ প্ৰকাশ কৰা অভীক্ষা (Rorschach Test), শব্দ-অনুষংগ অভীক্ষা (Word association test), ছবি সজোৱা আৰু গল্প লিখা অভীক্ষা (Make a picture story test) ইত্যাদি। এনেবোৰ অভীক্ষাৰ জৰিয়তে ব্যক্তিমনৰ অচেতন মনত অবদমিত হৈ থকা আশা-আকাংক্ষাৰ লগতে তেওঁৰ মনোভাৱ, ইচ্ছা-আগ্ৰহ, সংঘাত আদিৰ বিষয়ে তথ্য ব্যক্তিজনে নিজেই প্ৰকাশ কৰে। প্ৰকাশিত তথ্যৰ বিশ্লেষণৰ ভিত্তিত ব্যক্তিজনৰ ব্যক্তিত্বৰ বিষয়ে উমান পোৱা যায়। অৱশ্যে এই পদ্ধতিত ব্যক্তিৰ ব্যক্তিত্বক এক সামগ্ৰিক ৰূপতহে প্ৰকাশ কৰা হয়। এই পদ্ধতিৰ অভীক্ষাৰবোৰত অভীক্ষাৰ উদ্দেশ্য অস্পষ্ট বিধৰ হোৱা বাবে অভীক্ষাৰ্থীয়ে আত্ম-সচেতন নহৈ নিজক মুক্তভাৱে প্ৰকাশ কৰে আৰু মনৰ মাজৰ সঁচা ছবিখন দাঙি ধৰে ফলত অভীক্ষকে সেই সঁচা ছবিখনৰ আধাৰত তেওঁৰ ব্যক্তিত্ব আৰু গতিশীল আচৰণৰ বিশ্লেষণ দাঙি ধৰিব সক্ষম হয়।

(৭) আত্ম-জীৱনী (Auto-biography) ঃ

ব্যক্তিনিষ্ঠ পদ্ধতি সমূহৰ ভিতৰত আত্ম-জীৱনী লিখন পদ্ধতিও এক গুৰুত্বপূৰ্ণ পদ্ধতি হিচাপে বিকশিত মনোবিজ্ঞানত বিবেচিত হৈছে। এই পদ্ধতিত অভীক্ষাৰ্থীয়ে নিজেই নিজৰ জীৱনৰ সৰু-বৰ সকলো বা প্ৰায়ভাগ কথাই লিপিবদ্ধ কৰে। এই লিখনিৰ জৰিয়তে অভীক্ষাৰ্থীগৰাকীৰ জীৱনৰ উদ্দেশ্য, আদৰ্শ, মূল্যবোধ, চিন্তা-ভাৱনা, ইচ্ছা-আকাংক্ষা, সুখ-দুখৰ মুহূৰ্তবোৰ ইত্যাদিৰ বিষয়ে নিজে সুন্দৰভাৱে ব্যাখ্যা দাঙি ধৰে। এই লিখনিৰ জৰিয়তে জীৱনৰ সঁচা ঘটনা প্ৰৱাহৰ এখন ধাৰাবাহিক ছবি অংকন কৰিব সক্ষম হয়। এই লিখনিসমূহৰ জৰিয়তে বিশেষজ্ঞসকলে বিকাশৰ বিভিন্ন স্তৰত হোৱা পৰিবৰ্তন আৰু উত্থান-পতনৰ ৰহস্য জানিব পৰা যায়। এই পদ্ধতিৰ জৰিয়তে ব্যক্তিয়ে নিজৰ জীৱন-দৰ্শন আৰু আদৰ্শৰ সতে হোৱা সংঘাট আৰু প্ৰাপ্তিৰ বিষয়ে নিজে লিখিতভাৱে প্ৰকাশ কৰা বাবে তথ্যসমূহ অধিক নিৰ্ভৰযোগ্য হয়। এই তথ্যসমূহৰ জৰিয়তে ব্যক্তিজনৰ আত্ম-উপলব্ধি আৰু আত্ম ধাৰণাৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিব পাৰি। নিজৰ জীৱনৰ বহুতো ব্যক্ত-অব্যক্ত, প্ৰকাশিত-অপ্ৰকাশিত তথ্য এই আত্মজীৱনী অধ্যয়নৰদ্বাৰা লাভ কৰি উঠি ব্যক্তিগৰাকী সম্বন্ধে, তেওঁৰ ব্যক্তিত্ব সম্বন্ধে, তেওঁৰ সামূহিক দেহ-মানসিক স্থিতি, আৱেগিক-নৈতিক মানদণ্ড, সামাজিক মূল্যবোধ সম্বন্ধে এখন ছবি অংকন কৰিব পাৰি।

(৮) মান-নিৰূপক কাঠী (Rating Scale) ঃ

বিকশিত মনোবিজ্ঞানৰ আন এক গুৰুত্বপূৰ্ণ পদ্ধতি হ'ল মান-নিৰূপক কাঠী। ব্যক্তিৰ বিকাশৰ বিভিন্ন দিশক বস্তুনিষ্ঠভাবে আংকিকমান প্ৰদান কৰিবলৈ চেষ্টা কৰা হয়। বিকাশৰ বিভিন্ন দিশৰ লগত জড়িত

কেইটামান উপাদান স্থিৰ কৰি লৈ সেই উপাদান বা ব্যক্তিত্বৰ সংলক্ষণ সম্বন্ধে তথ্য সংগ্ৰহ কৰিবলৈ ব্যক্তিজনৰ লগত জড়িত ব্যক্তিসমূহৰ পৰা সেই সংলক্ষণ সম্বন্ধে মতামত গ্ৰহণ কৰা হয়। সেই লোকসকল প্ৰধানত ব্যক্তিজনৰ আত্মীয়, বন্ধু-বান্ধৱী, ওচৰ-চুবুৰীয়া, কৰ্মস্থানৰ বা শিক্ষানুষ্ঠানৰ লগত জড়িত ব্যক্তি। এই ব্যক্তিসকলে তেওঁলোকৰ অভিজ্ঞতাৰ ভিত্তিত ব্যক্তিজনৰ নিৰ্বাচিত ব্যক্তিত্বৰ সংলক্ষণ সম্বন্ধে মতামত প্ৰকাশ কৰে।

মান নিৰূপক কাঠী সচৰাচৰ তিনি প্ৰকাৰৰ হয়—সংখ্যামূলক (Numerical) স্থানমূলক (Ranking) আৰু ৰেখামূলক (Graphical)।

মান নিৰূপক কাঠীক যদিও বস্তুনিষ্ঠ পদ্ধতি হিচাপে বিবেচনা কৰা হয় তথাপিও বহুক্ষেত্ৰত দেখা যায় যে ই ব্যক্তিনিষ্ঠ প্ৰভাৱৰ পৰা সম্পূৰ্ণ মুক্ত নহয়। সেয়েহে এই পদ্ধতিৰ দ্বাৰা ব্যক্তিৰ ব্যক্তিত্ব সংলক্ষণ সম্বন্ধে তথ্য সংগ্ৰহ কৰাৰ আগতে মূল্যায়নকাৰীৰ মনত নিৰ্বাচিত বা নিৰীক্ষণ কৰিবলগীয়া সংলক্ষণ সম্বন্ধে স্পষ্ট ধাৰণা প্ৰদান কৰিব লাগিব আৰু তেওঁলোকে নিৰপেক্ষভাৱে তেওঁলোকৰ মতামত প্ৰকাশ কৰিব পাৰিব লাগিব, তেতিয়াহে এই পদ্ধতিৰ উদ্দেশ্য সঁচা অৰ্থত সফল হ'ব।

(৯) পৰিসংখ্যা পদ্ধতি (Statistical method) ঃ

পৰিসংখ্যা পদ্ধতিৰ জৰিয়তে মানুহৰ আচৰণক অধিক বস্তুনিষ্ঠ আৰু পৰিমাণমূলকভাৱে অধ্যয়ন কৰিব পাৰি। বিকশিত মনোবিজ্ঞানত সেয়েহে ব্যক্তিৰ আচৰণক অধ্যয়ন কৰিবৰ বাবে এই পদ্ধতিক অধিক বিশ্বাসযোগ্য পদ্ধতি হিচাপে গণ্য কৰা হয়। মনোবিজ্ঞানৰ বহল ক্ষেত্ৰখনত পৰিসংখ্যা বিজ্ঞানৰ প্ৰয়োগ আৰম্ভ কৰে ইংলণ্ডৰ মনোবিজ্ঞানী চাৰ্লচ স্পীয়েৰমনে (Charles Spearman) আৰু কাৰ্ল পীয়েৰচনে (Carl Pearson)। ব্যক্তিয়ে অৰ্জন কৰা বিভিন্ন গুণ, শক্তি ক্ষমতাবোৰৰ মাজত থকা পাৰস্পৰিক সম্বন্ধ পৰিসংখ্যা পদ্ধতি প্ৰয়োগ কৰি বিশ্লেষণ কৰি দেখুৱাব তেওঁলোক সক্ষম হৈছিল। স্পীয়েৰমেনে অনুস্থিতি-অন্তৰ পদ্ধতি (Rank difference method) আৰু পীয়েৰচনে গুণফল মূল্য পদ্ধতিৰে (Product moment method) বিশ্লেষণ কৰি দেখুৱাইছিল সহ-সম্বন্ধ গুণাংক কেনেদৰে মনোবৈজ্ঞানিক বিশ্লেষণত ব্যৱহৃত হ'ব পাৰে। বিকশিত মনোবিজ্ঞানত পৰিসংখ্যা পদ্ধতি প্ৰয়োগৰ জৰিয়তে কিদৰে ব্যক্তিৰ এটা দিশৰ বিকাশে আন এটা দিশৰ বিকাশত সহায় কৰে বা বাধাৰ সৃষ্টি কৰে সেই সম্বন্ধে অধ্যয়ন কৰাত সহায় কৰে। উদাহৰণস্বৰূপে ব্যক্তিৰ মানসিক বিকাশৰ লগত আৱেগিক বা সামাজিক বিকাশৰ সম্বন্ধ কেনে সেই সম্বন্ধে এই পদ্ধতি প্ৰয়োগ কৰি বস্তুনিষ্ঠভাবে বিশ্লেষণ কৰিব পাৰি।

বংশগতিৰ উপাদান (Hereditary factors) ঃ

বংশগতি হ'ল জন্মসূত্ৰে পূৰ্ব পুৰুষৰ পৰা উত্তৰ পুৰুষলৈ গতি কৰা জৈৱিক গুণসমূহৰ সমষ্টি। এই গুণসমূহ এজন ব্যক্তিয়ে বংশানুক্ৰমে লাভ কৰে। এই গুণসমূহে এজন ব্যক্তিৰ প্ৰকৃতি নিজস্ব ৰূপত স্বকীয় বৈশিষ্টৰে গঢ় দি তোলে। এই বংশগতি বা প্ৰকৃতিয়ে ব্যক্তিৰ বৃদ্ধি আৰু বিকাশৰ ক্ষমতা, যোগ্যতা, সম্ভাৱনীয়তা আৰু সীমাৱদ্ধতা নিৰূপণ কৰে। ই হৈছে ব্যক্তিসত্বাৰ বিকাশৰ মূলধন স্বৰূপ।

বংশগতিৰ প্ৰভাৱ এটি শিশুৱে মাতৃ গৰ্ভত স্থিতি লাভৰ পৰাই আৰম্ভ হয়। পিতৃ-মাতৃৰ বা পুৰুষ-মহিলাৰ দৈহিক সংযোগৰ ফলত পুৰুষৰ শুক্ৰকীট বা শুক্ৰাণু (Sperm) নিৰ্গত হৈ মহিলাৰ ডিম্বাণুত (Ovum) প্ৰবেশ কৰে আৰু এক সাৰুৱা ডিম্বকোষৰ (fertilised ovum) সৃষ্টি কৰে। এই শুক্ৰাণু আৰু ডিম্বাণুৰ সংযোগ সাধনৰ ফলত পুৰুষ আৰু মহিলাৰ জৈৱিক বংশগতি সন্তানৰ দেহ-কোষত (body cell) সম পৰিমাণত সঞ্চাৰিত হৈ পৰে। চিকিৎসা বিজ্ঞানৰ মতে পিতৃৰ শুক্ৰাণুত ২৩ যোৰা আৰু মাতৃৰ ডিম্বাণুত ২৩ যোৰা ক্ৰম'জ'ম (Chromosome) সৰ্বমুঠ ৪৬ জোৰা ক্ৰম'জম লগ লাগি সন্তানৰ জৈৱিক বংশগতিৰ বুনিয়াদ ৰচিত হয়। প্ৰতিটো ক্ৰম'জমেই কিছুমান অতি ক্ষুদ্ৰ ক্ষুদ্ৰ জৈৱ ৰাসায়নিক উপাদানৰ সমষ্টি, যাক 'জিন' (gene) বা জীৱাণুকোষ বুলি কোৱা হয়। এই জিনবোৰৰ বৈশিষ্ট্য হ'ল ইহঁতে জোৰপাতি থাকে। এই জিনসমূহে প্ৰতিটো সন্তানৰ ভৱিষ্যত বিকাশৰ সম্ভাৱনীয়তাত জৈৱিক বংশগতিয় প্ৰভাৱৰ চাবিকাঠি হিচাপে কাম কৰে। ইয়াৰ প্ৰভাৱতেই প্ৰতিজন ব্যক্তিৰ স্বকীয় বৈশিষ্ট্য পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে—চকুৰ বৰণ, ছালৰ বৰণ, চুলিৰ বৰণ, দেহৰ গঠন ইত্যাদি।

জন্মপূৰ্ব বা গৰ্ভকালীন অৱস্থাৰ বিকাশ (Pre-natal Development) ঃ

জন্মপূৰ্ব বা গৰ্ভকালীন অৱস্থাৰ অধ্যয়নে চিকিৎসা বিজ্ঞানৰ লগতে শৈক্ষিক ক্ষেত্ৰতো এক বিশেষ গুৰুত্ব লাভ কৰিবলৈ সক্ষম হৈছে। পুৰুষ-মহিলাৰ দৈহিক মিলনৰ ফলত পুৰুষৰ শুক্ৰাণু বা শুক্ৰকীট (sperm) নিৰ্গত হৈ মহিলাৰ ডিম্বাণুত (Ovum) প্ৰবেশ কৰে আৰু এক বিশেষ জৈৱ-ৰাসায়নিক প্ৰক্ৰিয়াৰ মাধ্যমেৰে মাতৃগৰ্ভ সন্তান সম্ভৱা হৈ উঠে। মাতৃগৰ্ভত প্ৰায় ২৮০ দিন দৈহিক বৃদ্ধি আৰু বিকাশৰ প্ৰক্ৰিয়া সমাপ্ত কৰি এটি শিশুৱে জন্ম গ্ৰহণ কৰে আৰু বৃহত্তৰ মানৱ সমাজৰ এজন সদস্য হিচাপে নিজকে অন্তৰ্ভুক্ত কৰে। মাতৃগৰ্ভত স্থিতি লাভ কৰাৰে পৰা জন্মৰ আগমুহূৰ্তলৈ এই গোটেই সময়ছোৱাক তিনিটা ভাগত বিভক্ত কৰা হৈছে, সেইকেইটা হ'ল—

(1) ডিম্ব কোষৰ পৰ্য্যায় (Germinal stage)
(2) ভ্ৰূণৰ প্ৰাথমিক পৰ্য্যায় (Embryonic stage)
(3) পৰিপুষ্টি ভ্ৰূণৰ পৰ্য্যায় (Fetal stage)

এই পৰ্য্যায়সমূহ সম্বন্ধে তলত আলোচনা কৰা হ'ল—

(1) ডিম্ব কোষৰ পৰ্য্যায় (Germinal stage) : পুৰুষৰ শুক্ৰাণু মহিলাৰ ডিম্বাণুত প্ৰৱেশ কৰাৰ পিছত মাতৃগৰ্ভত এটি সাৰুৱা ডিম্বকোষৰ সৃষ্টি হয়। শুক্ৰাণু দেখাত প্ৰায় লালুকী পোৱালীৰ দৰে দীঘল নেজযুক্ত। ই ডিম্বাণুতকৈও আকাৰত সৰু আৰু ই গতি কৰিব পাৰে। ডিম্বাণুও আকাৰত নিচেই সৰু। শুক্ৰাণু আৰু ডিম্বাণু আকাৰত নিচেই সৰু হোৱা বাবে ইহঁতক খালী চকুৰে দেখা পোৱা নাযায়। ইহঁতৰ ক্ৰিয়াকলাপ অনুবীক্ষণ যন্ত্ৰৰদ্বাৰাহে নিৰীক্ষণ কৰিব পৰা যায়। দৈহিক সম্পৰ্কৰ ফলত পুৰুষৰ শুক্ৰাণুৱে মাতৃগৰ্ভৰ জৰায়ু (uterus) আৰু ফেলপিয়ান টিউবলৈ (Fellopian tube) বেগেৰে গতি কৰে। ফেলপিয়েন টিউবৰ যিকোনো এটা সুবিধাজনক ক্ষেত্ৰত কেবল মাত্ৰ এটা শুক্ৰাণুৱে সক্ৰিয় ডিম্বাণুৰ লগ লাগি অন্তঃভাগত প্ৰবেশ কৰে আৰু আন শুক্ৰাণুৰ প্ৰবেশ নিষিদ্ধ কৰি তোলে। যিবোৰ শুক্ৰাণুৱে ডিম্বাণুত প্ৰবেশ কৰিব অপাৰাগ হয় সেইবোৰে প্ৰায় এদিনৰ ভিতৰতে মৃত্যু বৰণ কৰে। অৱশ্যে প্ৰথম অৱস্থাত ইহঁতৰ মাতৃৰ লগত দৈহিক সংযোগ সাধন নহয় বাবে মাতৃৰ জৰিয়তে খাদ্য গ্ৰহণ কৰিব নোৱাৰে। মাতৃগৰ্ভৰ ডিম্বকোষৰ ওপৰৰ চামনি ভাগত যি খাদ্য মজুত থাকে তাকে গ্ৰহণ কৰিয়ে ডিম্বকোষ বৰ্তি থাকে আৰু ক্ৰমান্বয়ে ইয়াৰ বৃদ্ধি হৈ এটাৰ পৰা দুটা, দুটাৰ পৰা চাৰিটা, চাৰিটাৰ পৰা আঠটালৈ এনেদৰে বৃদ্ধি হৈ বহুকোষবিশিষ্ট মানৱ শিশুৰ আকৃতি ধাৰণ কৰে। ইয়াকে ভ্ৰূণ (embryo) বুলি চিকিৎসাবিজ্ঞানত নামাকৰণ কৰা হৈছে। গৰ্ভধাৰণ কৰাৰ পিছত প্ৰায় তিনিৰ পৰা পাঁচদিনৰ ভিতৰত সাৰুৱা ডিম্বকোষটো ফেলপিয়ান টিউবৰ পৰা গতি কৰি অৱশেষত মাতৃগৰ্ভত স্থিতি লয় আৰু তেতিয়াৰে পৰাই মাতৃৰ লগত দৈহিক সম্বন্ধ স্থাপন কৰি বৃদ্ধি আৰু বিকাশৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। এনেদৰে গৰ্ভধাৰণৰ পৰা দুইসপ্তাহলৈ এই সময়ছোৱাক ডিম্বকোষৰ পৰ্যায় বুলি ধৰা হয়।

(2) ভ্ৰূণৰ প্ৰাথমিক পৰ্য্যায় (Embryonic stage) : ভ্ৰূণৰ প্ৰাথমিক পৰ্যায় বুলিলে গৰ্ভধাৰণৰ দুসপ্তাহ সময়ৰ পিছৰ পৰা প্ৰায় দুমাহ সময়ছোৱাকে সামৰি লোৱা হয়। এই সময়ত ডিম্বকোষৰ ক্ৰমে বৃদ্ধি পোৱা অংশবোৰ তিনিটা চামত (layer) বিভক্ত হৈ ভ্ৰূণৰ বহিঃ আৰু অৰ্ন্তভাগৰ অংগ-প্ৰত্যংগত পৰিণত হয় আৰু মাতৃৰ লগত তেজৰ সম্পৰ্কও স্থাপন হৈ উঠে। এই পৰ্য্যায়ত ভ্ৰূণৰ ক্ৰমবৰ্ধিত কোষসমূহ প্ৰায় অৰ্ধ গোলাকৃতিৰ আকাৰ ধাৰণা কৰে। এই পৰ্যায়তে মূৰ আৰু মগজুৰ সৃষ্টি হয় আৰু চকু দুটাৰ স্থানো নিৰ্ণয় কৰে। এই পৰ্য্যায়তে দেহৰ গুৰুত্বপূৰ্ণ আভ্যন্তৰীণ অংশসমূহ যেনে কলিজা, হাওঁফাওঁ, পাকস্থলী, যকৃত আদিয়ে গঢ় লৈ উঠে। এই সময়ৰ পৰাই কলিজাৰ স্পন্দনো আৰম্ভ হয়। এই সময়তে হাত আৰু ভৰিৰো গঠন হয়। প্ৰায় দেৰ মাহ মানৱ পিছত ভ্ৰূণৰ চকু, কাণ আদি গঢ় লৈ উঠি মানৱ শিশুৰ মুখমণ্ডলৰ আকৃতি আয়ত্ব কৰিবলৈ সক্ষম হয়।

(3) পৰিপুষ্টি ভ্ৰূণৰ পৰ্য্যায় (Fetal stage) : গৰ্ভধাৰণৰ দুমাহৰ পিছৰ পৰা জন্মৰ আগমুহূৰ্তলৈ এই সময়ছোৱাক পৰিপুষ্ট ভ্ৰূণৰ পৰ্য্যায় বোলা হয়। ভ্ৰূণৰ প্ৰাথমিক পৰ্য্যায়ত অৰ্জন কৰা দৈহিক বিকাশে এই সমূহত পূৰ্ণতা লাভ কৰে। ভ্ৰূণৰ আকাৰ আৰু ওজন ক্ৰমে বৃদ্ধি হৈ আহে আৰু মাতৃ-গৰ্ভৰ ভিতৰতে মস্তিষ্ক, কলিজাৰ স্পন্দন, হাত-ভৰিৰ সঞ্চালন, সংবেদন অনুভূতিৰ আৰু সঞ্চালন ক্ৰিয়াৰ বিকাশ সম্ভৱ হৈ উঠে। ভ্ৰূণৰ নখ, চুলি, দাঁতৰ আলু আৰু যৌনাংগৰ বিকাশ এই পৰ্য্যায়ৰ আন এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। এনেদৰে প্ৰায় দুমাহৰ পিছৰ পৰা জন্মৰ আগমূহুৰ্তলৈ বিভিন্ন প্ৰকাৰৰ বৃদ্ধি আৰু বিকাশ কাৰ্য সংঘটিত কৰি পৰিপুষ্ট ভ্ৰূণটিয়ে মাতৃগৰ্ভৰ বাহিৰৰ বহল পৰিবেশৰ লগত নিজকে খাপ খুৱাই ল'বলৈ উপযুক্তভাৱে কৰি গঢ়ি তোলে।

গৰ্ভকালীন অৱস্থাৰ গুৰুত্ব (Importance of Pre-natal Stage) ঃ

(১) শিশুৰ পৰৱৰ্তী বৃদ্ধি আৰু বিকাশৰ গতি অধ্যয়ন কৰিবলৈ শিশুটিৰ গৰ্ভকালীন অৱস্থাৰ জ্ঞানৰ প্ৰয়োজন।

(২) শিশুৰ স্বাভাৱিক বিকাশ প্ৰক্ৰিয়াৰ লগত মাতৃৰ স্বাভাৱিক গৰ্ভধাৰণ আৰু ২৮০ দিনৰ দীঘলীয়া যাত্ৰাৰ এক বিশেষ সম্বন্ধ আছে।

(৩) শিশুৰ পৰৱৰ্তী দৈহিক মানসিক, আৱেগিক বিকাশৰ লগত গৰ্ভকালীন অৱস্থাত ভ্ৰূণৰ স্বাভাৱিক বিকাশৰ এক ওতঃপ্ৰোত সম্বন্ধে আছে। সেয়েহে এই স্তৰৰ গুৰুত্ব অসীম।

(৪) গৰ্ভকালীন অৱস্থাত মাতৃৰ স্বাস্থ্য, আৰু বেমাৰ আজাৰৰ জৰিয়তে গৰ্ভস্থিত শিশুটিৰ ওপৰত যাতে বিৰূপ প্ৰভাৱ নপৰে সেইবাবে গৰ্ভকালীন অৱস্থাৰ অধ্যয়নৰ গুৰুত্ব আছে।

(৫) সুস্থ সবল শিশু এটিৰ জন্ম গ্ৰহণৰ বাবে গৰ্ভকালীন অৱস্থাত শিশুটিৰ মাতৃৰ দেহ-মানসিক স্বাস্থ্য ৰক্ষাৰ ওপৰত গুৰুত্ব দিব লাগে।

(৬) জন্মৰ পিছত শিশুৰ স্বাভাৱিক বৃদ্ধি আৰু বিকাশ বহু পৰিমাণে নিৰ্ভৰ কৰে গৰ্ভকালীন অৱস্থাত মাতৃয়ে গ্ৰহণ কৰা খাদ্য আৰু পেয়ৰ ওপৰত। সেয়েহে এই স্তৰত মাতৃয়ে পুষ্টিকৰ খাদ্য আৰু পেয় গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে।

(৭) গৰ্ভকালীন অৱস্থাত মাতৃয়ে যদি মানসিক অশান্তিক ভোগে তাৰ বিৰূপ প্ৰতিক্ৰিয়া জন্মৰ পৰৱৰ্ত্তী কালত শিশুৰ আচৰণত প্ৰতিফলিত হয়। সেয়েহে এই স্তৰত মাতৃক এক সুখ শান্তিৰ পৰিবেশৰ মাজত সময় অতিবাহিত কৰিবলৈ সুবিধা দিব লাগে।

(৮) গৰ্ভকালীন অৱস্থাৰ প্ৰথম তিনিমাহ বিশেষ তাৎপৰ্যপূৰ্ণ কাৰণ এই সময়ছোৱাতে শিশুৰ বিভিন্ন অংগ প্ৰতংগৰ গঠন হয় আৰু পৰৱৰ্তী পৰ্য্যায়ত ই পূৰ্ণতা পায়।

জন্ম পূৰ্বৰ বা গৰ্ভকালীন অৱস্থাত প্ৰভাৱিত কৰা চৰ্তসমূহ (Condition affecting pre-natal development) ঃ

মাতৃগৰ্ভত নিজৰ স্থান সুনিশ্চিত কৰাৰ পৰাই শিশু এটিয়ে ডিম্বকোষ পৰ্য্যায়, ভ্ৰূণৰ প্ৰাথমিক পৰ্য্যায় আৰু পৰিপুষ্ট ভ্ৰূণৰ পৰ্য্যায় অতিক্ৰম কৰিহে জন্ম গ্ৰহণ কৰে। এই সময়ছোৱাত শিশুটিয়ে বংশগতিৰ জৰিয়তে পোৱা গুণসমূহৰ বৃদ্ধি আৰু বিকাশ প্ৰক্ৰিয়া আৰম্ভ হয়। সেয়েহে এই সময়ছোৱাত মাতৃ গৰাকীয়ে বিশেষ সাৱধানতা অৱলম্বন কৰিবলগীয়া হয়। এই সময়ছোৱাত মাতৃগৰ্ভত স্থিতি লোৱা মানৱ শিশুটিক প্ৰভাৱিত কৰা অৱস্থাসমূহ বা চৰ্তসমূহ তলত আলোচনা কৰা হ'ল—

(১) **খাদ্য (Food) :** এই সময়ছোৱাত ভ্ৰূণৰ স্বাভাৱিক বৃদ্ধিৰ বাবে প্ৰয়োজন হয় পুষ্টিকৰ খাদ্যৰ। শাক-পাচলি, ফল-মূল, গাখীৰ জাতীয় দ্ৰব্যৰ লগতে প্ৰ'টিন জাতীয় খাদ্য যেনে মাছ-মাংস, চয়াবিন ইত্যাদি খাব লাগে। এই সময়ছোৱাত মাতৃয়ে বেছি মছলাযুক্ত আহাৰ, নিচাজাতীয় দ্ৰব্য, আৰু অপুষ্টিকৰ খাদ্য গ্ৰহণ কৰিব নালাগে।

(২) **মাতৃৰ শাৰীৰিক স্বাস্থ্য (Physical health of mother) :** এই সময়ছোৱাত মাতৃৰ স্বাস্থ্যৰ লগত শিশুটিৰ এক ওতঃপ্ৰোত সম্বন্ধ থাকে। সেয়েহে মাতৃয়ে নিজকে বেমাৰ আজাৰৰ পৰা মুক্ত কৰি ৰাখিবলৈ চেষ্টা কৰি চলিব লাগে।

(৩) **ঘৰুৱা পৰিবেশ (Home Environment) :** মাতৃ গৰাকী থকা ঘৰখনিৰ পৰিবেশ চাফ-চিকুণ হ'ব লাগিব। থকা কোঠাত সহজে বতাহ চলাচল কৰিব পৰা দুৱাৰ খিৰিকীৰ ব্যৱস্থা থাকিব লাগে। ঘৰৰ চৌপাশো চাফ-চিকুণ হ'ব লাগে যাতে ম'হ মাখিয়ে বেমাৰৰ বিজাণু কঢ়িয়াব নোৱাৰে।

(৪) **কৰ্মস্থানৰ পৰিবেশ (Environment of the Working place) :** কৰ্মৰত মাতৃসকলে এই সময় চোৱাত বিশেষ সাৱধানতা অৱলম্বন কৰা উচিত। যাতায়তৰ ক্ষেত্ৰত মাতৃগৰাকীয়ে বিশেষ ধ্যান দিব লাগে। বিকট শব্দ, কল-কাৰখানাৰ শব্দ আৰু ধোৱা আদি প্ৰদূষণপূৰ্ণ পৰিবেশৰ পৰা যিমান পাৰি আঁতৰত থাকিব লাগে। একেৰাহে কেবা ঘণ্টাও কাম কৰি থাকিব নালাগে। সময়ে সময়ে খাদ্য গ্ৰহণ আৰু জিৰণিৰ প্ৰয়োজন।

(৫) **মানসিক শান্তি (Mental Peace) :** গৰ্ভকালীন অৱস্থাত মাতৃগৰাকীৰ মানসিক শান্তিয়ে এক বিশেষ ভূমিকা গ্ৰহণ কৰে। এই ২৮০ দিনৰ ভিতৰত শুদ্ধ মানসিক চিন্তাধাৰা, ধৰ্মীয় শান্তিমূলক আলোচনা, আধ্যাত্মিক চিন্তাধাৰাৰ মাজত মাতৃগৰাকীয়ে নিজকে ব্যস্ত ৰাখিব লাগে। হাই-কাজিয়া, যুদ্ধ আদি বিৰূপ প্ৰভাৱৰ পৰা মাতৃগৰাকীক যিমান পাৰি আঁতৰত ৰাখিব লাগে।

(৬) **যোগ অভ্যাস (Yoga Practice) :** এক সুস্থ-সবল শিশুৰ জন্ম ধাৰণৰ বাবে প্ৰয়োজন হয় মাতৃগৰাকীয়ে নিয়মিতভাৱে যোগ অভ্যাস বা ব্যায়াম কৰা। অৱশ্যে এই সময়ছোৱাত সকলো ধৰণৰ ব্যায়াম কৰিব নালাগে। বিশেষজ্ঞ সকলৰ দ্বাৰা নিৰ্দেশিত যোগ বা ব্যায়মহে কৰিব লাগে। এই সময়ছোৱাত নিয়মীয়া প্ৰাণায়াণ শিশুৰ পৰৱৰ্ত্তী দেহ-মানসিক বিকাশৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ।

(৭) **আৱেগিক নিৰাপত্তা (Emotional Security) :** এই সময়ছোৱাত মাতৃগৰাকীক দেহ-মানসিক নিৰাপত্তা প্ৰদানৰ লগতে আৱেগিক নিৰাপত্তা প্ৰদান কৰাটোও সমানেই গুৰুত্বপূৰ্ণ। মাতৃ গৰাকীয়ে যাতে ভয়, শংকা, হতাশা, নিৰাশা আদিৰ মাজেৰে সময় অতিবাহিত কৰিব নালাগে সেই সম্বন্ধে সজাগ হ'ব লাগে।

(৮) **বংশগতিৰ প্ৰভাৱ (Impact of Heredity) :** বংশগতি বা ত্ৰুটিপূৰ্ণ জীৱনৰ বাবে মাকৰ পৰা কিছুমান ৰোগ শিশুৰ শৰীৰলৈ বিয়পিব পাৰে। উদাহৰণস্বৰূপে হিমোফিলিয়া, দন্তবিহীনতা (andonica) ইত্যাদি।

পৰিৱেশীয় উপাদান আৰু বিকাশ (Environmental Factors and Development)ঃ

ব্যক্তিৰ বিকাশত পৰিবেশৰ ভূমিকা অসীম। গৰ্ভকালীন অৱস্থাৰ পৰা মৃত্যুলৈকে ব্যক্তিৰ গোটেই জীৱন প্ৰক্ৰিয়াতে পৰিবেশে প্ৰভাৱ বিস্তাৰ কৰে। বংশগতি বা জীনৰ বাহিৰে ব্যক্তিৰ জীৱন প্ৰক্ৰিয়াত প্ৰভাৱিক কৰা সামগ্ৰিক পৰিস্থিতিকে পৰিবেশ বোলে। বিকাশ প্ৰক্ৰিয়াত পৰিবেশৰ প্ৰভাৱ সম্বন্ধে অধ্যয়ন কৰিবৰ বাবে আমি ইয়াক দুটা বহল ভাগত ভাগ কৰি ল'ব পাৰো। সেই দুটা ভাগ হ'ল— জন্মপূৰ্ব বা গৰ্ভকালীন পৰিবেশ আৰু জন্মোত্তৰ পৰিবেশ।

জন্মপূৰ্ণ বা গৰ্ভকালীন পৰিবেশৰ পৰিসৰ কিছু সংকীৰ্ণ। কিয়নো এই সময়ত মাতৃগৰ্ভৰ ভিতৰৰ পৰিবেশৰ মাজতেই শিশুটিৰ বৃদ্ধি আৰু বিকাশ প্ৰক্ৰিয়া আৰম্ভ হয়। সেয়েহে মাতৃগৰাকীয়ে পুষ্টিকৰ খাদ্য গ্ৰহণ কৰি দৈহিক বৃদ্ধিত সহায় কৰিব লাগে। অত্যাধিক পৰিশ্ৰমৰ পৰা বিৰত থাকি প্ৰয়োজনীয় পৰিমাণৰ বিশ্ৰামৰ ব্যৱস্থা কৰিব লাগে। সৎ কৰ্ম, সৎ চিন্তাই মাতৃ গৰাকীৰ মনত মানসিক শান্তি প্ৰদান কৰে। ধৰ্মীয় আৰু শান্তিমূলক চিন্তাধাৰা, আধ্যাত্মিক চিন্তাধাৰা বা আলোচনা বিলোচনাই মাতৃৰ মনৰ জৰিয়তে সন্তানৰ মনতো ভাল প্ৰভাৱ পেলায় বুলি বহুতে বিশ্বাস কৰে। এই সময়ছোৱাত নিয়মীয়া চিকিৎসা গ্ৰহণ কৰিব লাগে। চিকিৎসা বিজ্ঞানৰদ্বাৰা ভ্ৰূণৰ গতিবিধি পৰীক্ষা কৰি থাকিব লাগে আৰু কিবা অস্বাভাৱিকতা পালে লগে লগে চিকিৎসকৰ পৰামৰ্শ অনুযায়ী যাবতীয়া ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই সময়ছোৱাত মাতৃগৰাকীয়ে সন্তানৰ পৰিবেশ সুৰক্ষিত কৰিবৰ বাবে ভ্ৰমণৰ ক্ষেত্ৰত, যাতায়তৰ ক্ষেত্ৰত আৰু চিকিৎসকৰ বিনা অনুমতিত ঔষধ গ্ৰহণ কৰাৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰিব লাগে।

পুৰণি কালত গ্ৰীক দাৰ্শনিক প্লেটো আৰু এৰিষ্টটোলৰ লিখনিত গৰ্ভকালীন পৰিবেশৰ উল্লেখ আছে। দাৰ্শনিক এৰিষ্টটোলে তেওঁৰ লিখনিত মাতৃগৰ্ভৰ ভিতৰত ভ্ৰূণৰ মাজত আত্মাৰ প্ৰবেশ সম্বন্ধেও উল্লেখ কৰিছিল। ধৰ্মীয় চিন্তাধাৰাত এই সম্বন্ধেও বিভিন্ন মতামত আগবঢ়োৱা হৈছে। কুৰি শতিকাৰ দ্বিতীয়াৰ্ধত জীৱ বিজ্ঞান আৰু ভ্ৰূণ বিজ্ঞানে (Embryology) এই ক্ষেত্ৰত এক বৈপ্লৱিক পৰিবৰ্তন আনে আৰু কৃত্ৰিম প্ৰজননৰ দ্বাৰা 'টেষ্টটিউব বেবিৰ' জন্ম দিবলৈ সক্ষম হৈছিল। যি যি কি নহওঁক, গৰ্ভকালীন অৱস্থাত শিশুটিয়ে যাতে এক সুবিধাজনক পৰিবেশত মাতৃগৰ্ভৰ ভিতৰত কটাব পাৰে তাৰ বাবে মাতৃগৰাকীৰ সতে পৰিয়ালৰ আন সদস্যসকলেও সমানে সচেতন হ'ব লাগে।

জন্মোত্তৰ অৱস্থাৰ পৰিসৰ যথেষ্ট বহল। জন্মৰ লগে লগে শিশুটিয়ে মাতৃগৰ্ভৰ সীমিত পৰিবেশৰ পৰা ওলাই এক বহল পৰিবেশৰ মাজত নিজকে সমাযোজিত কৰিবৰ বাবে সংগ্ৰাম আৰম্ভ কৰিবলগীয়া হয়। সদ্যজাত শিশুৱে প্ৰতিৱৰ্ত-ক্ৰিয়া আচৰণ প্ৰকাশৰ জৰিয়তে নতুন পৰিবেশৰ লগত সমাযোজন কৰিব চেষ্টা কৰে। চালুকীয়া শিশুৰ আচৰণক প্ৰতিৱৰ্ত ক্ৰিয়া আচৰণ বুলি প্ৰকাশ কৰা হৈছে কাৰণ ই হৈছে দৈহিক প্ৰয়োজনভিত্তিক। এই সমূহ আচৰণ মেৰুমজ্জাৰ দ্বাৰাহে পৰিচালিত হয়, মস্তিষ্কৰ দ্বাৰা নহয়। উদাহৰণ স্বৰূপে হামিওৱা, হাঁচিউৱা, হঁহা-কন্দা ইত্যাদি। জন্মৰ পিচৰ পৰা শিশুটিৰ ক্ৰমে দেহৰ ওজন, উচ্চতা, আবয়ৱিক গঠন আদিৰ পৰিবৰ্তন আৰু পৰিবৰ্দ্ধন হয়। জন্মৰ প্ৰথম বছৰতেই শিশুৰ দৈহিক বৰ্দ্ধনৰ গতি সৰ্বাধিক হয়। লাহে লাহে শিশুটিয়ে সুখ-দুখ, ভাললগা-বেয়াপোৱা আদিৰ অনুভৱ কৰিব পৰা হয় আৰু এনেদৰে আৱেগিক বিকাশো আৰম্ভ হয়। বয়স বৃদ্ধিৰ লগে লগে শিশুটিয়ে সমাজৰ বিভিন্ন মানুহৰ সংস্পৰ্শলৈ আহে, বন্ধু-বান্ধৱৰ সংখ্যা বৃদ্ধি হ'বলৈ ধৰে। তেওঁলোকৰ লগত ভাৱৰ আদান-প্ৰদানৰ জৰিয়তে সামাজিক ভাবৰো বিকাশ সাধন হয়। ঘৰুৱা পৰিবেশৰ পৰাই আৰম্ভ কৰি স্কুলীয়া পৰিৱেশ, সামাজিক পৰিবেশৰ পৰা শিশুৱে ন্যায়-অন্যায়, পাপ-পুণ্য, উচিত-অনুচিত আদিৰ পাঠ আৰম্ভ কৰি নৈতিক বিকাশৰ ভেটিও সুনিশ্চিত কৰে।

পৰিবেশৰ বহল পৰিসৰলৈ অহাৰ পিচত শিশুৱে সংবেদনৰ নতুন অভিজ্ঞতা আহৰণ কৰিবলৈ সক্ষম হয়। ক্ৰমে তেওঁলোকে পঞ্চ ইন্দ্ৰিয়ৰ শুদ্ধ ব্যৱহাৰৰ জৰিয়তে শুদ্ধ সংবেদন গ্ৰহণ কৰিব সক্ষম হয়। শুদ্ধ সংবেদনে শুদ্ধ সংবোধনে আহৰণ কৰাত আৰু শুদ্ধ সংবিধানে শুদ্ধ সংপ্ৰত্যয়ন আহৰণত অৰিহনা যোগায়। এনেদৰে শিশুটিয়ে পৰিবেশ সম্বন্ধে ন ন জ্ঞান অভিজ্ঞতা আহৰণ কৰিব আৰম্ভ কৰে। লগে লগে স্মৃতি, তুলনা, কল্পনা আদিৰ প্ৰয়োগেৰে মানসিক বিকাশ কাৰ্য সংঘটিত হয়। শিশুৰ বয়স বঢ়াৰ লগে লগে স্কুলীয়া পৰিবেশৰ মাজত নিজকে বৃহত্তৰ সমাজৰ একোজন সদস্য হিচাপে আৱিষ্কাৰ কৰিবলৈ সক্ষম হয়। গতিকে পাঠ্যক্ৰম আৰু সহ-পাঠ্যক্ৰমৰ কাৰ্যসূচীৰ জৰিয়তে বিদ্যালয়সমূহে শিশুৰ সৰ্বাংগীন বিকাশৰ কাৰ্যসূচীৰ দায়িত্ব গ্ৰহণ কৰিব লাগে।